6.25

CURZON HALL LIBRARY.
JUN 1953
GAUHATI—ASSAM.

# সাহিত্য-কলা

378
N/B/1H



"জ্যোতিকণা," "চিন্তামণি," "মানসী," "জয়াতীৰ্থ," আদিৰ

গ্ৰন্থকাৰ

শ্ৰীনীলমণি ফুকন প্ৰণীত,

যোৰহাট।

সৰ্ব্বস্বত্ব সংৰক্ষিত ]


[ বেচ ।৵০ অনা মাত্ৰ

প্ৰকাশক :—
শ্ৰীপ্ৰেমধৰ ৰাজখোৱা,
যোৰহাট, অসম।

দ্বিতীয় তাঙৰণ

যোৰহাটৰ "বাতৰি" প্ৰেছত ছাপা কৰা হ'ল।

# উৎসর্গ



যাৰ অকৃত্ৰিম স্নেহ আৰু যত্নৰ বাবে
শিক্ষাৰ মাজেদি যৎকিঞ্চিৎ
জ্ঞানৰ পোহৰ পালো,
যি পিতৃ ঋণ আজন্ম পৰিশোধ নহল,
জন্মদাতা পিতৃদেৱতাৰ
পবিত্ৰ স্মৃতিত

**সাহিত্য-কলা**

শ্ৰদ্ধাৰে তৰ্পণ দি শান্তি লভিলো।

—নীলমণি—

CURZON HALL LIBRARY
GAUHATI ASSAM.

# পাতনি

সাহিত্য-কলা সাধনাৰ বস্তু। সিদ্ধহস্তসকলৰ হাতঁতহে ইয়াৰ সৃষ্টি শোভা পায়। সেয়ে হ'লেও, তাৰ সেৱা কৰা অধিকাৰ সকলোৰে আছে সাহিত্য-মন্দিৰত লিখকলৈ পুৰোহিতৰ আসন নাই যদিও, সাষ্টাঙ্গ প্ৰণামলৈ ঠাই আছে। আত্ম-সমৰ্পণৰ এই প্ৰণিপাতত নিষ্ঠাৰ মাজেদি লিখকে সাহিত্য আৰু সুকুমাৰকলাৰ যি ৰূপ দেখিলে, তাকে অন্তৰৰ মাজেদি বৈ যোৱা সৌন্দৰ্য্যবোধৰ বহন অলপ সানি মূৰ্ত্তমান কৰি তুলিবৰ চেষ্টা কৰিছে। এই চেষ্টা ব্যৰ্থ হ'লেও কৃত যত্নৰ সাৰ্থকতা একণ আছেই আছে। লিখকৰ আত্মতুষ্টিৰ বাবে সেয়েই যথেষ্ট হ'ব।

লিখকে সময়ে সময়ে সাহিত্য-কলা বিষয়ে কেইটি মান বক্তৃতা দিছিল। এতিয়া তাকে ছানি-জাৰি তাৰ লগত আৰু দুটিমান বিষয় সন্নিবেশ কৰি কিতাপৰ আকাৰে "সাহিত্য-কলা" নাম দি প্ৰকাশ কৰা হ'ল।

মানুহৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক সকলো ৰকম বিবোধ ভাঙি সাহিত্য আৰু সুকুমাৰকলাই যে বিশ্বব্ৰহ্মাণ্ড

আৰু মানৱাত্মাক এক অপূৰ্ব্ব সমাৱেশৰ মিলনভূমিত থিয় কৰে, এই অখণ্ড সত্যকে ৰূপ দি ৰসত তিয়াই ৰুচিকৰ কৰি দেখুৱাবলৈকে লিখকৰ এই প্ৰয়াস বুলিব পাৰি। এই ক্ষেত্ৰতো লিখকৰ প্ৰয়াস ফলৱতী হৈ নুঠিলেও, ৰসাত্মক সাহিত্য-কলাৰ কোনো ক্ষতি হ'ব নোৱাৰে।

ব্যক্তিগত আৰু জাতীয় জীৱনৰ ধৰ্ম্ম-কৰ্ম্ম সকলো ক্ষেত্ৰতে সাহিত্য-কলাৰ যে ওতপ্ৰোত সম্বন্ধ, সাহিত্য-কলা যে জাতীয় জীৱন আৰু বিশ্বজনীন স্বাধীন চিন্তাৰ পৰিপোষক, এই প্ৰত্যয় জন্মাবলৈ লিখকে যথাসাধ্য চেষ্টা কৰিছে। এই চেষ্টা কিমানদূৰ সফল হৈছে বা নাই হোৱা, সেই বিচাৰ সুধী-সমাজৰ হাতত। চেষ্টাহে লিখকৰ হাতৰ মুঠিত—ফলাফল নহয়।

"সাহিত্য-কলা"ৰ নামাকৰণৰ বাবে লিখক গীতি-কৱি শ্ৰীযুত পাৰ্বতিপ্ৰসাদ বৰুৱাদেৱৰ ওচৰত ঋণী। তেঁৱেই এই নামাকৰণ কৰি লিখকৰ মনৰ ভাব প্ৰথম সমৰ্থন কৰে। লিখকৰ "জ্যোতি-কণাৰ" দৰে "সাহিত্য-কলা"ও ছাপা কৰা কামত "জবাৰ জৱাহৰলাল" লিখি ছপতিয়াতে সাহিত্য-ক্ষেত্ৰত চিনাকী দিওঁতা শ্ৰীমান প্ৰেমধৰ ৰাজখোৱাই যথেষ্ট পৰিশ্ৰম কৰিছে। সাহিত্যৰ সেৱক হৈ তেওঁ দিনে দিনে যাতে সু-নাম আৰ্জ্জে, ইয়াকে আশীৰ্ব্বাদ কৰিছো।

লিখকৰ "সাহিত্য-কলা" পূৰ্ণ ষোল-কলা যুক্ত নহলেও, লিখকৰ জীৱনৰ আউসী-আন্ধাৰ ঠেলি ওলোৱা পোহৰৰ এটি ৰেখ যাবে, তাকে চাই প্ৰাণত যি আনন্দ অনুভৱ কৰা হ'ল, তাকে লিপিবদ্ধ কৰি ৰাহিৰত দেখুৱা হৈছে। সহৃদয় পাঠক-পাঠিকাসকলৰ নিৰ্ম্মল হৃদি-আকাশত সেয়ে প্ৰতিফলিত হৈ যদি আৰু অলপ উজ্জ্বল হৈ উঠে, তেন্তে লিখকৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি ধৰিম।

যোৰহাট,
১৫-জেঠ, ১৮৬২ শক।

বিনীত—
শ্ৰীনীলমণি ফুকন

## দ্বিতীয় তাঙৰণৰ কথা

সহৃদয় ৰাইজৰ সহায়-সহানুভূতিত প্ৰথম তাঙৰণৰ পুথি শেষ হৈ যোৱাত দ্বিতীয় তাঙৰণ ছাপা ক'ৰি উলিওৱা হ'ল। এই তাঙৰণত বিশেষ একো সাল-সলনি নকৰি, আগৰ দৰেই ছাপা কৰা হ'ল।

বিনীত,
শ্ৰীনীলমণি ফুকন

যোৰহাট।
১ শাওণ, ৫০১ শঙ্কৰাব্দ।

# সূচী


| বিষয় | পিঠি |
|---|---|
| ১। সাহিত্যই জীৱনৰ অমিয়া | ১ |
| ২। ঋতু-সম্ভাৰ | ১২ |
| ৩। সাহিত্য-সেৱা মানৱ-ধৰ্ম্ম | ১৭ |
| ৪ অহৈতুক আনন্দ | ২১ |
| ৫। সাহিত্যৰ স্বৰূপ | ২৪ |
| ৬। চেনেহী ভাষা জননী | ৩৬ |
| ৭। সাহিত্যই জাতিৰ দাপোণ | ৩৮ |
| ৮। কবি | ৪৪ |
| ৯। নাটক আৰু উপন্যাস | ৪৭ |
| ১০। শিল্প-কলা | ৫০ |
| ১১। নৃত্য-গীত | ৫৭ |
| ১২। ভাব-ৰহস্য | ৬৩ |
| ১৩। সৌন্দৰ্য্যবোধ | ৬৮ |

# সাহিত্যই জীৱনৰ অমিয়া

## সাহিত্যৰ সৃষ্টি ক'ত

জীৱনৰ অমিয়া বোলা বস্তুটো কি? এই অমিয়া কোনো ৰকমৰ ইন্দ্রিয়-গ্রাহ্য বস্তু নহয়। ই অতীন্দ্রিয় প্রাণৰ নির্ব্বাক-নিস্পন্দ অৱস্থাত পোৱা এক গভীৰ অনুভূতি। এই অনুভূতিৰ আত্ম-প্রকাশৰ প্রয়াসতেই সাহিত্য আৰু সুকুমাৰ-কলাৰ উৎপত্তি। সাহিত্যই যেতিয়া অলঙ্কাৰৰ সাতসৰী ধাৰ পিন্ধি, ছন্দৰ লয়লাস কৰি, শব্দৰ নূপুৰ-ধ্বনি বজাই, বিশ্ব-বিমোহিনী ৰূপ ধৰি দেখা দিয়ে, তেতিয়া সেই ৰূপত জগত মোহান্ধ নহৈ আত্মহাৰা হয়। এই অৱস্থাত ভোগৰ অৱসাদ নাই—তৃপ্তিৰ পৰিপূর্ণতা আছে। এই প্রকাশ কল্প-লোকৰ স্বপ্ন-ৰাজ্যত হ'লেও, বাস্তৱ জগতৰ প্রতি অণু-পৰমাণুকে সি দীপ্ত কৰি তোলে। তাৰো প্রতিবিম্ব চিদাকাশত প্রতিফলিত হৈ যি ধন ৰামধনুৰ সৃষ্টি কৰে, তাৰ কমনীয়তা অৱর্ণনীয়।

## সৃষ্টিৰ ৰহস্য-ভেদৰ চেষ্টাই সুকুমাৰকলা

শুকান নেমুটেঙা এটা তেলত কিছুদিন পেলাই থ'লে, যেতিয়া গোটেই টেঙাটো সেই তেলে ভেজি পেলায়, তেতিয়া

সি মুখ-ৰুচিকৰ আচাৰ হৈ পৰে। সেইদৰে শুকান নীৰস বাক্যকো ৰসাল কৰি তুলিব পাৰিলে এঃকোখন মহাকাব্য হৈ উঠে আৰু সেই কাব্যই সংসাৰ-বিষ-বৃক্ষৰো অমৃত ফল হৈ—কল্পমোৰে হনুমন্তক অমৰ কৰাৰ দৰে—মানুহক মৃত্যুঞ্জয়ী কৰিব পাৰে। এইদৰে নীৰস বাক্যকো ৰসাল কৰি কাব্য এঃকোখন সৃষ্টি কৰিবলৈ হ'লে, সেই ৰসভাণ্ড পোৱা যাব ক'ত? সেই ৰস বৈ গৈছে, মানুহৰ দৈনন্দিন হাঁহি-কান্দোন, বিৰহ-মিলন, সুখ-দুখ—নিষ্পেষিত জীৱনত। সেই ৰস বৈ গৈছিল, বাল্মিকীৰ সুপ্ত-প্ৰতিভাক সাৰ পোৱাই দিয়া শৰ-বিদ্ধ চাকৈ-চকোৱা হালিৰ কৰুণ ক্ৰন্দনত। এই ৰস-ধাৰাত গা ঢালি দিব পাৰিলে, মানুহে সৃষ্টিৰ চাবি মুঠি জীৱৰ একেটি মাজুলীত উঠি, সকলো শ্ৰান্তি পাহৰি, নিজৰ বৈকুণ্ঠখনি পালো বুলি আত্মপ্ৰসাদ লাভ কৰিব পাৰে।

এই ৰসেই নিজৰ ৰহণ সানি একো একোটি ভাবক ৰূপ দিয়ে আৰু সেই ৰূপ দেখিলেই আত্মাৰ এটি অনিৰ্ব্বচনীয় আনন্দ ওপজে। এই আনন্দৰ লগত সেই ৰূপৰ কোনো ৰকমৰ আসক্তিৰ সম্বন্ধ নাই। এই ৰূপ যি দৰে অপৰূপ, এই আনন্দও সেইদৰে অহৈতুক আৰু নিৰালম্ব। ইয়াৰ প্ৰতিবিম্ব এটা বিশ্ব-পটত যি দৰে প্ৰতিফলিত হয়, তাকেই কবিৰ লিখনীয়ে বৰ্ণাব খোজে, শিল্পীৰ তুলিকাই আঁচি দেখুৱায় আৰু দাৰ্শনিকে অন্তদৃষ্টিৰে চায়। ইয়াৰেই ঐক্যতান বা সমস্বৰ গীতে-গানে সঙ্গীতত বাজি উঠে।

ৰামধনুত্তকৈয়ো কোমল এনে এটি প্ৰতিবিম্ব প্ৰতিফলিত কৰি, সময়ৰ মামৰে খাব নোৱাৰাকৈ ৰহণ দি থ'ব পৰা সাহিত্য আৰু সুকুমাৰকলাৰ উপাসকসকলৰ প্ৰাণত যে কি বিমল আনন্দ, তাক বৰ্ণাবৰ জোখাৰে মানুহৰ ভাষা থাকিব নোৱাৰে। ভেওঁলোকে তেজী গোলাপকো আৰু বাঙলী কৰি বোলাব পাৰে, পদুমৰ পাহিটিকো আৰু নিমজ কৰি সুখ-শীতলা কৰি তুলিব পাৰে। এই ৰস-সেৱীসকলৰ ৰস-ধাৰাত পৰিলে গছৰ শুকান ডালতো কুঁহিপাত ওলায়; ৰবগছ এজোপা ফুফাল কৰি যাব পৰা ঢেৰেকনিটোৱেও মিচিকিয়া হাঁহি মাৰি মন-প্ৰাণ কাঢ়ি লৈ চৰক পৰা মানুহটোৰ দৰে থৰ লগাই থ'ব পাৰে। এওঁলোকৰ ৰসৰ ফুটত পেলাব পাৰিলে কুলি-কেতেকীৰ মাতভো মৌ বৰষে।

মানুহৰ লগত সৃষ্টিৰ যাৱতীয় পদাৰ্থৰ সম্বন্ধ কি? এই ৰহস্য ভেদ কৰিবলৈকে মানুহৰ মন, বুদ্ধি, ইন্দ্ৰিয়াদি বৃত্তিবিলাকে চিৰকাল অক্লান্ত চেষ্টা কৰি আহিছে। কিন্তু একালে ভেদ কৰিবলৈ যাওঁতে আনফালে খুন্দা খাই উলটি আহে। গতিকে এই চেষ্টা অৱিৰাম চলিবই লাগিছে। ইয়াৰ হাত সাৰিবলৈ হ'লে এই ৰহস্য ভেদ কৰিবলৈ চেষ্টা নকৰি, মন, বুদ্ধি ইন্দ্ৰিয়াদি তাৰপৰা আঁতৰাই আনি আত্মাৰ যোগ-সূত্ৰত ধৰি, সেই ৰহস্য পাৰ হ'ব লাগিব। নিজৰ দেহাত বিচাৰিলেই গোটেই জগতখন পোৱা যায় বোলা কথাষাৰৰ অৰ্থও এয়ে। স্ব-প্ৰকাশ আত্মাই যেতিয়া নিজৰ

ওপচা পোহৰ পেলাই দিয়ে, ভেতিয়া তাৰ পোহৰত অতি ক্ষীণ-জ্যোতিৰ বস্তুও উজ্জ্বল হৈ পূৰ্ণভাৱে দেখা দিয়ে। আত্মাৰ ফলক-কাঁচত প্ৰতিফলিত হ'ব নোৱাৰা সৃষ্টিত কোনো সূক্ষ্মতম পদাৰ্থই নাই। সেই কাৰণে, অন্তৰ্দৃষ্টিৰে আত্মাত প্ৰতিফলিত হোৱা সৃষ্টিৰ বাহিৰ-ভিতৰখন চাবি চুক মাৰি চাব জানিলেই, সৃষ্টিৰ চাবি মুঠি জীৱই আত্মীয় বা আপোনজন হৈ পৰে। এই সমন্বয়ী আত্মিক সম্বন্ধ দেখুৱাব পৰাটোৱেই শিল্প-কলা-সাহিত্য-প্ৰতিভা বুলি ক'ব পাৰি।

## কবিৰ দৃষ্টিত সত্যৰ আত্ম-প্ৰকাশ

এজন বিৰহী যক্ষৰ বিৰহ-বেদনাৰ লগত আহাৰ মহীয়া আকাশ ওন্দোলাই অনা ক'লা ডাৱৰ এছটাৰ কি নিগূঢ় সম্বন্ধ, সেই কথা কালিদাসৰ অগোচৰ নাছিল। প্ৰাকৃতিক জগতৰ এনে এটা পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ মনবো কি ধৰণৰ ভাব পৰিৱৰ্ত্তন হয়, সেই সূক্ষ্ম সম্বন্ধ কালিদাসৰ কাব্য-প্ৰতিভাত ধৰা পৰে। এই গভীৰ সত্যৰ অনুভূতি হৈছিল বাবেই কালিদাসে এডোখৰ ক'লা ডাৱৰকে মেঘদূত কৰি, ইন্দ্ৰৰ অমৰাৱতীকো জিনিবপৰা অলকাপুৰীত সুমাই দি, বিৰহ-অৱস্থাত স্বল্পাভৰণা এগৰাকী বিৰহিনী যক্ষ-পত্নীৰ মণি-মুক্তা সিচঁৰিত হৈ পোহৰ কৰি থোৱা অন্তঃপুৰলৈ পঠিয়াই, সেই অৱস্থাত বিৰহী যক্ষৰ গুপুত সম্বাদ দিয়লৈ সাহ কৰিব

পাৰিছিল। কালিদাসৰ এনে নিগূঢ় সহানুভূতিয়ে ঢুকি পোৱা, এইদৰে এজন মেঘদূতৰ উপায় উলিয়াব নোৱাৰা হ'লে, এই বিৰহ-যন্ত্ৰণা শাম কটাবলৈ যক্ষৰ বাৰ্ত্তা লৈ আন কোন দূতে সেই পুৰীৰ তোৰণ-দ্বাৰৰ সিপাৰে ভৰি দিবলৈ সাহ কৰিলে-হেতেন? কালিদাসৰ প্ৰতিভা এই খিনিতেই অন্তৰ্জগত-বহিৰ্জগত সানি-পুতকি একেটি লাড়ু কৰিবপৰা বিধৰ আছিল।

কালিদাসৰ প্ৰতিভাই আমাক আৰু এটি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে। আমি সাধাৰণতে ভাবো মানুহ বাহ্যিক অৱস্থাৰ মাজত ডাঙৰ-দীঘল হয়, তাৰ ছাঁ এটা চৰিত্ৰ আৰু মনোবৃত্তিবিলাকৰ ওপৰতো পৰে। সেয়ে হ'লেও, সি ছাঁহে—গা হ'ব নোৱাৰে। কেঁচুৱা অৱস্থাৰপৰাই আশ্ৰমত মুনি-কন্যা স্বৰূপে লালিতা-পালিতা হৈ শকুন্তলাই যৌৱন-কালত ভৰি দিলে। সঙ্গিনী—বনৰ হৰিণী, আশ্ৰমৰ তৰু-লতা-তৃণ। চাৰিওফালে জটা-বল্কলধাৰী তাপসসকল। পুৱাবপৰা গধূলিলৈকে তেওঁলোকৰ তপঃক্লিষ্ট আচৰণ মন কৰিব লগীয়া। মুনি-কন্যা শকুন্তলাৰো দেহৰ স্বাভাবিক কান্তিৰ বাহিৰে আন কোনো ৰকমৰ লাহ-বিলাহৰ আভৰণ নাছিল। লগৰী—বনৰ হৰিণীৰ বাহিৰে আন দুটি মুনি-কন্যা—অনসূয়া আৰু প্ৰিয়ম্বদা। তেওঁলোকৰ কাম—সখী শকুন্তলাক বনবীয়া ফুল ছুটিবে সজাই-পৰাই স্বভাৱ সুন্দৰীৰ ৰূপ চোৱা, প্ৰিয় আলাপ কৰা, সস্নেহ চকুৰে চোৱা। কণ্ব মুনিয়েও

আজলী হৰিণীৰ লগতে এই আজলী কন্যাকেইটিক আশ্ৰমত আনন্দ মনে বিচৰণ কৰিবলৈ এৰি দি মনত ৰব সুখ পাইছিল। শান্তি-ৰস-প্ৰধান আশ্ৰমৰ এই কেইগৰাকী জানিবা শান্তিদেৱী আছিল।

আশ্ৰমত হঠাৎ মৃগয়াভিলাষী ৰজা দুষ্মন্তৰ প্ৰবেশ। বল্কল-বসনা মুনি-কন্যা এগৰাকীক দেখিয়েই তেওঁৰ চকু থৰ লাগিল। আশ্ৰমৰ বতাহ অলপ উষ্ম হৈ উঠিল। শকুন্তলাৰ বনৰ হৰিণীৰ দৰে স্নেহাৰ্দ্ৰ চকু দুটিও অথিৰ হৈ উঠিল, চকুৱে চকুৱে পৰিল। শকুন্তলাই চাৰি চকুৰ মিলন কি পূৰ্ব্বতো জানিছিল। বনৰ হৰিণীৰ, প্ৰিয় সখী দুগৰাকীৰ চকুৰ লগত তেওঁৰ চকু দিনটোত কতবাৰ মিলন হয়। তাততো তল-মুৰ কৰি আকৌ ঘূৰি ঘূৰি চাবৰ প্ৰয়োজন হোৱা নাছিল। এইবাৰ এই চাৰি চকুৰ মিলনত অনুৰাগৰ বিদ্যুৎ-সঞ্চাৰ—পিছতেই সম্মোহন—লগে লগে আত্ম-সমৰ্পণ।

আশ্ৰমত শকুন্তলাই দেখিছিল স্বাভাবিক সৌন্দৰ্য্য, সৰল প্ৰাণ, আশ্ৰমবাসীৰ তপঃক্লিষ্ট জীৱন। সমিধ আহৰণ, কুশ তোলা, হোমাগ্নি প্ৰজ্জ্বলিত কৰা কামেই, ধৰিবলৈ গ'লে আশ্ৰমত হোৱা অভিনয়। কাহিনীৰ ভিতৰত—আজি আশ্ৰমৰ কোন হৰিণ শিশুটিৰ মুখত কুশে বিন্ধিলে, কোন লতাডালিত পানী দিয়া নহল—এয়েই। এনে এখন ঠাইত কালিদাসে এনে এটি প্ৰেমৰ কাহিনী সৃষ্টি কৰি জগতৰ এখন অপূৰ্ব্ব নাটক অভিনয় কৰি দেখুৱাবৰ কি সুবিধা পালে? কালিদাসে

ইয়াকে প্ৰমাণ কৰিলে যে, সৃষ্টিৰ আদি-কাৰণ—প্ৰেমৰ প্ৰভাৱ নথকা ঠাই এখন জগতত নাই। এই প্ৰেমৰ কাহিনীয়েই সৃষ্টিৰ ৰহস্য। চাৰি মুঠি জীৱই ইয়াৰ হাতত পুতলা নাচিছে। কালিদাসে এই গভীৰ তত্ত্ব বুজিছিল বাবেই এনে সাহস কৰিছিল। তেওঁ জানিছিল যে, কণ্ব মুনিৰ আশ্ৰমতো লতাভাৰি তৰু-আশ্ৰিতা, পদুমৰ পাহি ভ্ৰমৰ-বিদ্ধ, হৰিণীৰ চকুতো প্ৰেমৰ চাঞ্চল্য্য দেখিবলৈ পোৱা যায়। আশ্ৰম-সুলভ এনেবিলাক দৃশ্য-পটেই তেওঁৰ শকুন্তলা নাটকৰ নায়ক-নায়িকাৰ মনোৰম অভিনয়-ক্ষেত্ৰ হৈ পৰিছিল। চকুৰে কোনো কালে সংসাৰচিত্ৰ নেদেখা, আজলী হৰিণীৰ লগত বৰ্দ্ধিত হোৱা শকুন্তলাৰ যৌৱনভৰা হৃদয়ত হঠাৎ প্ৰেমৰ অনুৰাগ হ'ল কৰপৰা? কালিদাসে দেখুৱাইছে যে, ই স্বভাৱজ আৰু যেনে পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজতেই নহওক, ইয়াৰ অভিনয় হ'বই হ'ব। কেৱল অৱস্থা-ভেদে এই অভিনয় অলপ বেলেগ হ'ব পাৰে। শান্তি-ৰস-প্ৰধান আশ্ৰম বাবে শকুন্তলা নাটকৰ অভিনয়তো কোনো উদ্দাম ভাৱ নাই। দৃশ্য-পটৰ লগত অভিনেতা অভিনেত্ৰীৰ এটা চকু জুৰ হৈ যোৱা সম্বন্ধ দেখিবলৈ পোৱা যায়। ইয়াকেই অন্তৰ্জগত আৰু বহিৰ্জগতৰ মিলন বুলিব পাৰি।

আনজন জগত-কবিয়েও এই কথাৰেই সত্যতা দেখুৱালে, তেওঁৰ 'টেম্‌পেষ্ট' নাটকত। শেক্সপিয়েৰৰ প্ৰছ্‌পেৰ'কো আশ্ৰমৰ দৰে আচুতীয়া দ্বীপ এটাৰ কণ্ব মুনি বুলি ধৰিব

পাৰি। বজা ছুষ্মন্তক অজলা হৰিণ এটাই নিমিত্ত হৈ যি দৰে কণ্ব মুনিৰ আশ্রমত সুমাই দি এখন অপূৰ্ব্ব নাটকৰ সৃষ্টি কৰালে, সেইদৰে ক'ৰবাৰ ধুমুহা এটাই ফাৰ্ডিনেণ্ডক অকলশৰীয়া মাজুলীটোত জাহাজ লগাই দি মিৰাণ্ডাৰ মনতো প্ৰেমৰ পূৰ্ব্বৰাগৰ ঢৌ তুলি সেই অপূৰ্ব্ব নাটকৰ অভিনয় কৰালে। মিৰাণ্ডাই পিতাকৰ বাহিৰে সেই দ্বীপত ইতিপূৰ্ব্বে আন কোনো মানুহৰ মুখকে দেখা নাছিল। কেলিবান বোলা অদ্ভুত জীৱটোক মিৰাণ্ডাই মানুহ বা পশু শ্ৰেণীতো গণ্য কৰিবপৰা নাছিল। মহাকবি শেক্সপিয়েৰে তেনে ঠাইতো প্ৰেমৰ জয় হ'ব পৰা অৱস্থাৰ সৃষ্টি কৰি দেখুৱাব পাৰিলে। এটা অকলশৰীয়া দ্বীপৰ নিজানত বৰ্দ্ধিতা মিৰাণ্ডাৰ প্ৰেমৰ কাহিনীত সেই নিজান-নিজম ভাবৰ ছাঁ পৰিছে; কিন্তু সি প্ৰেমৰ অভিনয়ত আঁৰ-কাপোৰ দি ৰাখিব পৰা নাই। শূন্য নিজানো যে প্ৰেমেৰে পৰিপূৰ্ণ এই সত্যক শেক্সপিয়েৰে 'টেম্‌পেষ্ট' নাটকৰ ধুমুহা তুলি দেখুৱাই দিলে।

শিল্পীৰ তুলিকাও তদ্ৰূপ। শিল্পী ৰবি বৰ্ম্মাৰ বিশ্বামিত্ৰ আলেখ্যখন দেখিলেই কাৰবাক যেন অভিশাপহে দিছে, এনে ভাব সজাগ হৈ উঠে। বুদ্ধদেৱৰ মূৰ্ত্তি এটি দেখিলেই জীৱন্দশাত ধ্যানস্তিমিত-লোচন মহামুনি শাক্য-সিংহক যেন দেখা হ'ল! প্ৰাণ আশ্বস্ত হ'ব পৰা এনে এটা ভ্ৰান্তি বাস্তৱৰূপে মনত উদয় হয়। একোজন শিল্পীয়ে তেঁওৰ তুলিকা-চালনাত এনে কৌশল দেখুৱাব পাৰে যে, যেৰত

আঁৰি-থোৱা ছবি এখনতেই ইপাৰ সিপাৰ নেদেখা সাগৰ-ভ্ৰম হয়; সদ্য-স্নাতা তিৰোতা এগৰাকীৰ তিতা কাপোৰে অহা অৱস্থাটো এনে দৰে জলক লগাই আঁকি দেখুৱায় যে, এমুঠি শুকান ধূলি মাৰি দিলে সেই অঙ্কিত তিতা বস্ত্ৰত লাগি ধৰিব বুলি বাস্তৱতাৰ ভ্ৰম হয়; বতাহত উৰাই নিয়া কানি-কাপোৰৰ অঙ্কন এনেদৰে দেখুৱায় যেন গোটেই ধুমুহাটো চকুৰ আগতে গ'ল! একোখন ছবিত শিল্পীয়ে দূৰৰপৰা বগা হৈ অহা ৰৰষুণ জাক এনেদৰে আঁকি দেখুৱায় যে ঘৰৰ ভিতৰত সেই ছবিখন তন্ময়ভাৱে চাই থাকিলে এজাক বৰ ৰৰষুণ হৈছে বুলি হঠাৎ ঘৰৰ বাহিৰলৈ যাবলৈ ৰৰষুণত তিতাৰ ভয় সোমায়। স্তৰে স্তৰে পৰ্ব্বত-মালা আঁকি সিদ্ধহস্ত শিল্পীয়ে হিমালয়ৰ উচ্চ শৃঙ্গ মাউণ্ট এভেৰেষ্টক ইমান ওখ আৰু দূৰৰ বস্তু কৰি দেখুৱায় যে, সেই ছবিখনিতেই সেই শৃঙ্গ দুৰাৰুহ বুলি মনত প্ৰত্যয় জন্মে; এখন নৈ আঁকি সিপাৰৰ বালিত বগলী এটিয়ে তবধ লাগি থকা দৃশ্য দেখুৱাই চকুৰ আগতে নিজম-নিতাল ঠাই এখনি দেখা যেন নিস্তব্ধতা মনত সুমাই দিব পাৰে; দৃশ্য-পটবিলাক এনেদৰে আঁকি পেলায় যে, তাত একোখন নগৰৰ বৰ বৰ অট্টালিকা, ফুলনি, পুখুৰী, বাট-পদূলি, প্ৰাচীৰ-বেষ্টিতভাৱে হুবহু টোলটোৰ হৈ চকুৰ আগত দেখুৱাই দিয়ে।

শিল্পীৰ এই শিল্প-চাতুৰ্য্য তেওঁৰ নিজৰ বস্তু যদিও, তাৰ বাস্তৱতা ভাৱৰ উপলব্ধি কৰিবলৈ হ'লে কোন চকুৰে

চালে হ'ব, দর্শকৰ সেই চকু খিৰ কৰিব পৰা শক্তিৰ ওপৰত হে নির্ভৰ কৰিব। শিল্পীয়ে নিজৰ আলেখ্যটিত কি দৰে বস্তু-বোধ জন্মে তাৰ জোখাৰে ছাঁ, পোহৰ, ৰং ইত্যাদি সঁজুলি বিলাক জোখত ৰাখিহে নিজৰ অঙ্কন-কার্য্য সমাধা কৰে, ছবিখনৰ দীঘ-বাণি গঢ় দিয়ে। দর্শকে নিজৰ উপলব্ধিৰ ফলক-কঁাচত তাক নিয়মমতে কেন্দ্রীভূত কৰি ল'ব পাৰিলেহে তাৰ হুবহু প্রতিবিম্ব পৰিব। গতিকে দর্শক নিজে শিল্পী নহ'লেও শিল্পীৰ পৰিকল্পনাৰ লগত নিজৰ অনুভূতি লীন কৰি দিব পাৰিব লাগিব। ইয়াতো সেই যোগ-সূত্রৰ দৰকাৰ।

## আত্মাৰ বিশ্ৰাম স্থল

সৃষ্টিত সদায় এটি অনাহত ধ্বনি উঠিব লাগিছে। এই ধ্বনি নোহোৱা কোনো এটা পদার্থই নাই। নায়েগ্রাৰ জল-প্রপাতত যি দৰে বুকু কঁপি উঠাকৈ এটা বিয়াগোম শব্দ দিনে-ৰাতিয়ে উঠি আছে, বতাহত উৰি ফুৰা সামান্য শিমলু-তুলা একণেও নিজানে নিস্তব্ধ হৈ শুনিবলৈ নোপোৱা ধ্বনি এটা তুলি উৰি ফুৰিব লা'গছে। এই ধ্বনিৰ হাত সাৰি সৃষ্টিৰ বাহিৰে এটাও থাকিব পৰা নাই। এই অনাহত সুৰক খণ্ড-বিখণ্ডকৈ লাৰি-ছাৰি তাৰ ভিতৰতনো কি আছে, তাকে চাবলৈ যাওঁতেই সপ্ত-সুৰ, ৰাগ-ৰাগিণীয়ে মূর্ত্তি ধৰি দেখা দিলে আৰু মানুহৰ হৃদয়-তন্ত্ৰীত সেয়ে সঘনে বাজিবলৈ ধৰিলে। মানৱাত্মাই উপলব্ধি কৰিলে যে, সৃষ্টিৰ সকলো

পদাৰ্থৰ মাজতেই এই সুৰ বাজিব লাগিছে। সেয়ে সমস্বৰে বাজি উঠি সৃষ্টিৰ মিলন বা একত্ব বোধ ৰক্ষা কৰি আছিছে। সৃষ্টিৰ ওঙ্কাৰ ধ্বনি বিশ্ব-প্ৰৱাহত সদায় বাজি আছে। শ্ৰৱণেন্দ্ৰিয়ই তাক কেৱল গ্ৰহণ কৰিব নোৱাৰে, ইমানেই কথা। একোটা ডাঙৰ ঢেৰেকনিয়ে হঠাৎ কাণত তাল মাৰিলে একোজন মানুহ একেবাৰে কʼলা হৈ পৰে। সেইদৰে বিশ্বব্ৰহ্মাণ্ড কঁপাই তোলা এই ওঙ্কাৰ ধ্বনিৰ নিনাদেও আমাৰ কাণ কলা কৰি থৈছে। সেই বাবেই এই ধ্বনি শ্ৰৱণেন্দ্ৰিয়ৰ সহায়ত ধৰা টান। কিন্তু যেতিয়া তাৰ কঁপনিয়ে আহি প্ৰাণত আঘাত দিয়ে, তেতিয়া তাৰ গম পোৱা যায়। এই সুৰ-লোককেই সময়ত আত্মাৰ জিৰণি লোৱা ঠাই বুলিব পাৰি। আত্মাই ইয়াতেই স্বাস্থ্য লাভ কৰে।

# ঋতু-সম্ভাৰ

ঋতুমতী প্ৰকৃতিয়ে প্ৰতি ঋতুৰ অন্তত একোখন ন-চানেকিৰে বছা ন সাজ-পাৰ পিন্ধি দিগ-দিগন্তত সৌন্দৰ্য্যৰ আঁচল উৰাই 'মোৰ সুন্দৰ ক'ত, মোৰ সুন্দৰ ক'ত' বুলি কেতেকী-মাতেৰে সুৰৰ অনাহত ধ্বনি তুলি যেতিয়া আকাশ কপাঁই তোলে, তেতিয়া সৃষ্টিৰ চাৰি মুঠি জীৱৰেই গা ৰাই-জাই হৈ উঠে। সৌন্দৰ্য্য-পিয়াসী জগতে আকাৰে ইঙ্গিতে, চেষ্টাই, ভাব আৰু ভাষাৰ সংযোজনাত নানা প্ৰয়াসেৰে মানস-সৰোবৰত সেই ৰূপ-ৰসৰ পদুম-কলি ফুটাই তুলিবলৈ দিহা কৰে। এই দিহাৰ আদি অন্ত ক'ত, ই মানুহৰ বিচাৰৰ বাহিৰ হ'লেও এই কথা ঠিক যে, এই লীলাৰ ওৰ পৰিল বুলি আমি মনক নিশ্চিন্ত কৰিব নোৱাৰো। সৃষ্টিৰ খোজেপতি ইয়াৰ নতুন ভঙ্গীমাত কত ৰাগ-ৰাগিণী নাচি উঠিছে, কত প্ৰকাৰৰ বিকাশৰ মাধুৰীয়ে জগতৰ মন বলিয়া কৰি তুলিছে, কত ৰকমৰ চমকে মানুহৰ পথালি চকুত ৰ-লগাইছে, তাক কৈ অন্ত কৰিব কোনে? মাথোন ইমানকে ক'ব পাৰি ইয়াৰ হাত সৰা টান। এয়ে প্ৰকৃতিৰ লীলা, এয়ে পুৰুষৰ সম্ভোগ।

ঋতু-বিহাৰী চাকৈ-চকোৱাহালিয়ে শৰ-বিদ্ধ হৈয়ো, প্ৰেমৰ হাতত আত্ম-সমৰ্পণ কৰিব পাৰিছিল বুলি হে বাল্মিকী-প্ৰতিভা জগতত বৈ গ'ল,—ৰসাত্মক মহাকাব্য এখনিৰ

মাজেদি সমাজ-চিত্ৰ নিখুঁতকৈ আঁকিব পাৰিছিল। বিৰহী যক্ষৰ বিৰহ-বেদনাই মহাকবি কালিদাসৰ মৰ্ম্ম যে পৰশিব পাৰিছিল, সেই কথাও আমি আহাৰ মহীয়া ক'লা ডাৱৰ এডোখৰৰ মুখত হে প্ৰথমে শুনিলো। শৰতৰ বিতোপন নিশা নথকা হ'লে হয়তো ৰাসলীলাহীন হৈ কৃষ্ণ-চৰিত্ৰ অসম্পূৰ্ণই হৈ থাকিলহেঁতেন। মদাৰৰ ডালত তেজী-ৰঙা কুঁহিপাত নোলোৱা হ'লে ফাকুৱাৰ ৰঙে মানুহৰ মন হয়তো ৰোলাব নোৱাৰিলেহেঁতেন। আমৰ মলৰ চোকা গোন্ধ নোপোৱা হ'লে কেৱল কুলিৰ মাতটোই মানুহৰ মন হয়তো মতলীয়া নহ'লহেঁতেন। ফাগুনীৰ গালত গোলাপৰ ৰহণ, ৰভাহীৰ গাত মলয়াৰ বা, বহাগীৰ খোপাত কপৌ-ফুল নোহোৱা হ'লে গাত হয়তো সিমান চ'তৰ বিহু নালাগিলহেঁতেন। হিমালয়ৰ অভ্ৰ-ভেদী গৌৰীশঙ্কৰ শৃঙ্গ নথকা হ'লে দেৱাদিদেৱ মহাদেৱ আৰু আদ্যশক্তি মহামায়াক বিচাৰি আনি ঘৰে ঘৰে হৰ-গৌৰী বসতি কৰিবলৈ মানুহৰ কল্পনাই এখন ভূ-স্বৰ্গ কৈলাস সৃষ্টি কৰিব নোৱাৰিলেহেঁতেন। ইপাৰ-সিপাৰ নেদেখা সাগৰে থৌকিবাথৌ লগাই নথকা হ'লে প্ৰলয়-পয়োধি-জলত নিৰ্ব্বিকাৰভাৱে শুই থকা বিষ্ণুৰ নাভি-কমলত ব্ৰহ্মা উপজি পুনৰ সৃষ্টিত হাত দিয়া কথা মানুহে কল্পনা কৰিব নোৱাৰিলেহেঁতেন। চ'ত মহীয়া হিলদল ভাঙি যোৱা ধুমুহা-বতাহক ৰবৈদেচিলা বুলি ভাবিব নোৱাৰা হ'লে বহাগৰ বিহুত মাকৰ ঘৰলৈ গৈ জীয়েকে খোৱা বিহুৰ পিঠা-পনাত সিমান সোৱাদ

নাথাকিলহেঁতেন, ৰং-ধেমালিত ঘৰ-দুৱাৰ হাঁহি মুঠিলহেঁতেন। ঋতু-পৰ্য্যায় আছে বাবেহে মানুহে আজি সঙ্গীতৰ তাল-মান-লয়ৰ খোজত খোজ দি সুৰ-লোকত অহা-যোৱা কৰিব পাৰিছে, গন্ধৰ্ব্ব-লোকত ঠাই পাইছে। আমি বেলেগ বেলেগ ঋতুৰ বেলেগ বেলেগ ৰঙত বোলোৱা বিশ্ব-পটত হে বিশ্বকৰ্ম্মাৰ মূৰ্ত্তি দেখিছো। এই কাৰণে ঋতু-উৎসৱ।

ঋতুৰাজ বসন্তৰ আগমনতো উৎসৱৰ আয়োজন এই কাৰণেই। বসন্ত-উৎসৱৰ আয়োজনৰ বিশেষ প্ৰয়োজন নাই। যেতিয়া ফলে-ফুলে, গীতে-গানে, ৰূপে-গোন্ধে আমোলমোল ভৰপূৰ, প্ৰাকৃতিক সম্ভাৰেৰে দোঁ-খাই থকা, হাত মেলিলেই পোৱা ৰূপ-ৰসৰ ভাণ্ড লৈ ৰূপ-ৰসৰাজ বসন্ত-ঋতু নিজেই আহি দেখা দিয়ে, সেই ৰূপ-ৰসত বিশ্ব-ব্ৰহ্মাণ্ড ঢৌৱাই নিয়ে, তেতিয়া আমাৰ ক্ষুদ্ৰ আয়োজনৰ ঠায়েই বা ক'ত? কুম্ভ-মেলাই কাৰো আয়োজনৰ অপেক্ষা নকৰি নিজৰ সঞ্চিত পুণ্যৰাশিৰে মেলা দ'ম খুৱাই পেলায়। বসন্তৰ আগমনো তদ্ৰূপ। এই বসন্ত-উৎসৱৰ কাৰণে মানুহক কিহৰ ভাবে উদগাই দিয়ে, সেইটোহে আচল কথা। ঋতু-পৰ্য্যায় নথকা হ'লে আমাৰ জীৱন যে তেনেই নিৰস হৈ উঠিল হেতেন সেই কথা সম্পূৰ্ণ হৃদয়ঙ্গম কৰিব পাৰিহে মানুহে ঋতুৱে ঋতুৱে একোটা উৎসৱ পাতি আহিছে। এই উৎসৱত তেওঁলোকৰ একো আত্মম্ভৰিতা নাই, আছে মাত্ৰ আমাক সোঁৱৰাই দিবলৈ এষাৰ কথা। কথাটো হৈছে এই—আমি যদিও বাস্তৱ জগতক কামোৰ মাৰি ধৰি থাকিব খোজো

আৰু ধৰি আছো বুলিও ভাবোঁ, যথাৰ্থতে সেইটো নহয়। আমি যদি জীৱনৰ প্ৰতি মুহূৰ্ত্তৰ ঘটনাবিলাক ভালদৰে বিশ্লেষণ কৰি আমাৰ মনটোক ফঁহিয়াই চাওঁ, তেন্তে দেখিবলৈ পাম যে আমি বেছি ভাগ সময় বাস্তৱ-জগত এৰি এখন অপূৰ্ব্ব মনোৰাজ্যত বিচৰণ কৰি ফুৰো আৰু তাতেহে যথাৰ্থ সুখো পাওঁ। এই মনোৰাজ্যৰ অধিষ্ঠাত্ৰী দেৱতাক সকলো প্ৰকাৰ ললিতকলাৰে পূজা কৰাই প্ৰাণৰ প্ৰেৰণা।

গোটেই জাতিটোক সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ হ'লে 'ফাইন্ আৰ্টচ্' বা ললিত-কলা বোলা কথাটোলৈ বিশেষকৈ মন কৰিব লাগিব। কোনো এটা জাতিৰ বিশেষত্বৰ অভিব্যক্তি এই 'ফাইন্ আৰ্টচ্'ৰ মাজেদি হে আমি দেখিবলৈ পাওঁ। আহাৰ-বিহাৰ কথাটো প্ৰাণী-সাধাৰণ বস্তু। কিন্তু সৃষ্টিৰ ৰহস্য ভোগ কৰিবলৈ একমাত্ৰ মানুহেই সক্ষম। 'ফাইন্ আৰ্টচ্'ৰ মাজেদি মানুহে এই ৰহস্য চিৰকাল ভোগ কৰি আহিছে। এই 'আৰ্ট' বা কলাই নায়েগ্ৰা হেন জল-প্ৰপাতৰ ধ্বনিও চেতাৰৰ মুখত জোকৰাই পেলাব পাৰে, এডোখৰ খহটা শিলকো নিমজ কৰি মেডনা অৰ্থাৎ মাতৃ-মূৰ্ত্তিৰ তিলোত্তমা তৈয়াৰ কৰিব পাৰে, ঢেং ঢেং কৈ উঠা এডোখৰ কাঁহ বা পিতলৰ মাতকো সঙ্গীতৰ তাল-মান-লয়ত পেলাই শ্ৰুতিমধুৰ কৰি তুলিব পাৰে, মানব-প্ৰকৃতিত লুকাই থকা ভাব বিলাক কৱিৰ ভাষাত ফুটাই, শিল্পীৰ তুলিকাত আঁকি দেখুৱাব পাৰে।

মানুহ যি দিন ধৰি বৰ্ব্বৰ অৱস্থা পাৰ হৈ আহিল, সেই দিন ধৰি সভ্যতাৰ নিদৰ্শন এই সুকুমাৰকলাৰ উপাসক

হৈ পৰিল। অইন কি বৰ্ব্বৰ জাতিয়েও অজ্ঞাতসাৰে ইয়াৰ উপাসনা কৰি আহিছে। মুঠতে এই কথা ঠিক যে, এই সুকুমাৰকলাৰ চৰ্চ্চাৰপৰাই একোটা জাতিৰ সভ্যতা জুখিব পাৰি। পানীৰ যেনেকৈ নিজৰ কোনো ৰং নাই, অথচ বেলেগ বেলেগ ৰঙৰ পাত্ৰত ঢালিলেই সেই ৰং গ্ৰহণ কৰা যেন দেখি, তেনেকৈ এই সুকুমাৰকলাবিলাক যদিও দেশ, কাল, পাত্ৰৰ অতীত, তথাপি বিশেষ বিশেষ কালত, দেশত, পাত্ৰত পৰি সিও একোটা বেলেগ ৰং গ্ৰহণ কৰাৰ দৰে দেখা যায়। এই কথা যদি সচাঁ, তেন্তে থল বিশেষে এই বিলাক সুকুমাৰকলাৰ এটা বিশেষত্ব নিশ্চয় আছে। সেই বিশেষত্বত মামৰে ধৰিবলৈ নিদি নিতে ঘঁহি-পিহি চকচকীয়াকৈ ৰাখি আৰু উজ্জ্বল কৰি তুলিবপৰাই থলৰ বিশেষ কাম হ'ব; আৰু সেই কথাকে কাৰ্য্যৰে সোঁৱৰাই দিয়াটোৱেই সাহিত্য-শিল্প-কলাসেৱীসকলৰ কাম। এওঁলোকে নাচ-গান আৰু অভিনয়ৰ মাজেদিয়েই একোখন সুকীয়া গন্ধৰ্ব্ব-লোকৰ সৃষ্টি কৰে, সাহিত্যৰ অমৃত-ধাৰা বোৱাই দিয়ে, শিল্প-কলাত প্ৰাণৰ স্পন্দন দিয়ে। এওঁলোকৰ মাজত বসন্তৰ কুঁহিপাত, আমৰ মুকুলৰ গন্ধ-মদিৰা, কুলিৰ কোকিল-কণ্ঠ, পচুমৰ নিমজ অঙ্গ-সৌষ্ঠৱ, গোলাপৰ সুগন্ধকো তল পেলাব পৰা সু-নামৰ সু-ঘ্ৰাণ সদায় পোৱা যায়। এওঁলোকৰ প্ৰাণত চিৰ-বসন্ত সদায় বিৰাজ কৰে।

# সাহিত্য-সেৱা মানৱ-ধৰ্ম্ম

সাহিত্য সেৱাতকৈ ডাঙৰ আন একো ঈশ্বৰ-সেৱা হ'ব নোৱাৰে। যথাৰ্থতে ভাবি চালে এই কথা সত্য বুলি উপলব্ধি নহৈ নোৱাৰে। এটা জাতিৰ অস্তিত্ব ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে। যেতিয়া এটা জাতিৰ বাস্তৱ-জগতৰ কীৰ্ত্তি-কলাপ সময়ৰ মামৰে ধৰি ধূলিসাৎ কৰে, তেতিয়া সাহিত্যৰ প্ৰভা পৰি সেই ধূলিকো সোণালী-সপোন কৰি তোলে। জাতীয় জীৱনৰ সাকৰা মাটিৰ তৰপে তৰপে ভেদ কৰি সাহিত্য ৰবগছ জুপিৰ শিপা কিমান দলৈকে যায়, সেই কথা কোৱা টান। কিন্তু এই জুপি গছত কত ৰকমৰ কত ৰঙৰ চৰাই পৰি কিৰীলি পাৰে, গীত গায়, সুৰদি ফল খায়, তলৈকো সৰাই দিয়ে, থাকি থাকি উৰা মাৰি বিমান-বিহাৰ কৰে, মুক্ত আকাশত ডৌকা কোৰাই পোহৰত চমক তোলে, তাক কৈ শেষ কৰিব নোৱাৰি। তেনে দৃশ্য দেখি তলৰপৰা কিমানৰ চকু জুৰ হয়, সেই কথা প্ৰকাশ কৰা টান। মুগ্ধ জগতে এনে বিলাক মইনা কুলিৰ মাত শুনি তবধ লাগে। এনে বিৰিখৰ ছাঁত বহি খন্তেক জিৰালেও প্ৰাণ শাঁত লাগে! পৰ্ব্বতৰ নীল আভাত পৰি উৰি যোৱা বগলী জাকৰ শুকুলা পাখিয়ে যি দৰে চকু জুৰ কৰি দিয়ে, সেই দৰে সাহিত্যিকৰ চেকা নলগা

বগলী পাখি যেন বগা শুভ্রশুদ্ধ-ভাববাশিয়ে জগতক পূৰ্ণিমা ৰাতিৰ জোনাকে পোহৰ ছটিয়াই শুকুলা কৰি দিয়াৰ দৰে উজ্জ্বল কৰি তোলে।

সংসাৰ-বিষ-বৃক্ষৰ যে কেৱল মাত্ৰ দুটি সুৱদি ফল—সজ্জনৰ সঙ্গ আৰু কাব্যামৃত ৰস পান—এই কথা জ্বলন্ত সত্য। সংসাৰৰ সকলো দুখ, ভাগৰ, শোক, তাপ যদি পাহৰিবপৰা মহৌষধি আছে, সি এক মাত্ৰ সাহিত্য-ৰস-পান কৰি পোৱা অমৃত। বহুত সময়ত আমি ভাবো যে, আমাৰ দিনটো কেৱল প্ৰাণী সাধাৰণৰ ক্ৰিয়া-কলাপ খোৱা-লোৱাতে যায়। কিন্তু আমাৰ সেইটো ভুল ধাৰণা। আমি যদি আমাৰ দিনটোৰ সকলোখিনি কাম বিশ্লেষণ কৰি ফঁহিয়াই চাওঁ, তেন্তে দেখিবলৈ পাম যে, তিনি ভাগ সময় আমি কল্প-লোকত বাস কৰো। এই কল্প-লোক আমাক সৃষ্টি কৰি দিয়ে একমাত্ৰ সাহিত্য আৰু সুকুমাৰকলাই। এইদৰে মনোৰথত উঠি কল্প-লোকত বাস কৰিব পৰা ক্ষমতাই মানুহক জ্ঞানী, শ্ৰেষ্ঠ জীৱ কৰি ৰাখিছে। গতিকে এনে অমৃতময়ী সাহিত্যৰ সেৱা কৰা মানুহৰ ধৰ্ম্ম। গৰু ম'হৰো এক ৰকম ভাষা আছে। সিহঁতেও নিজৰ ভাব এক ৰকমে প্ৰকাশ কৰে। কিন্তু সিহঁতে সাহিত্যৰ সোৱাদ লৈ তৃপ্তি লাভ কৰিব নোৱাৰে। সেই কাৰণেই দিনে-ৰাতিয়ে সিহঁতে উদৰ পূৰণ কৰা আৰু বাঁহ পাগোলা কামতেই ব্যস্ত থাকে। পশু-পক্ষী, কীট-পতঙ্গ, জান-জুৰিৰো একোটা ধ্বনি আছে।

কিন্তু তাক সঙ্গীতৰ তাল-মান-লয়ত পেলাই, ছন্দত আলফুলকৈ বান্ধি, শুৱলা কৰি তোলা সাহিত্যসেৱী লোকৰ কাম। বুৰঞ্জীৰ পাতে পাতে মানৱ সমাজৰ দৈনিক ঘটনাবিলাক ৰগাবই লাগিছে। কিন্তু তাৰ প্ৰাণ-স্পৰ্শী সমাবেশ একমাত্ৰ নাটক-নাটিকা, কাব্য-কাহিনীৰ মাজেদিহে দেখিবলৈ পোৱা যায়। ৰূপ-ৰসৰ ভাণ্ডত আমি সদায় বুৰি আছো। তথাপি তাৰ ভুমুকি একোটাত মুখ দিহে জিভাই সোৱাদ পায়। চকুৰ আগতে দিনে-ৰাতিয়ে কত ৰকমৰ বিশ্বশোভা দেখি আছোহঁক, তথাপি চিত্ৰকৰৰ চিত্ৰত, শিল্পীৰ তুলিকাত সেই শোভা দেখি প্ৰকৃত সৌন্দৰ্য্যবোধৰ কল্পনা আহি মনত খিতাপি দিয়েহি। সাহিত্যই প্ৰকৃততে প্ৰাণৰ তৃপ্তি, মনৰ আৱেগ আত্মাৰ মুক্ত অৱস্থা। সাহিত্যই স্থিতি লোৱা প্ৰাণত আন দেৱতায়ো আহি স্থিতি লবলৈ সাহ নকৰে। মৌয়ে যেনেকৈ সকলো ক্ষেত্ৰৰপৰাই একোকণ মৌ আনি মৌ-চাক কৰিবলৈ সক্ষম হয়, সাহিত্যিকসকলেও তেনেকৈ জীৱনৰ সকলো ৰকম ঘটনাৰ পৰা, বাস্তৱ জগতৰ সকলো প্ৰকাৰ বস্তুৰপৰা কাব্য-ৰস সৃষ্টি কৰি সাহিত্যৰ অক্ষয় অমৃত-ভাণ্ড পাতিব পাৰে। অমৰ কৱিৰ ভাষাত ক'বলৈ হ'লে, এই অমৃত-হ্ৰদত পৰিলে মাখিবো মৰণ নাই। অমৰ-লোক আছে বুলি যদি আমি বিশ্বাস কৰি আহিছো, সিও সাহিত্যিক সকলৰ অমৰ স্মৃতিৰ সুমৰণেই দৃঢ়ীভূত কৰি তুলিছে। সময়ত আমি বিক্ৰমাদিত্যকো পাহৰিব পাৰো। কাৰণ

তেওঁৰ কীৰ্ত্তি-কলাপ সময়ৰ মামৰে খাই নিষ্প্ৰভ কৰি পেলাব পাৰে। কিন্তু কালিদাসৰ উদ্ভাসিত প্ৰতিভাৰ পোহৰৰপৰা চকু আঁতৰাই নিবা কোন ফালে ?

ৰাণী এলিজাবেথৰ ঘটনাপূৰ্ণ ৰাজত্বকাল বুৰঞ্জীয়েও পাহৰিব পাৰে; কিন্তু শ্বেক্সপিয়েৰৰ চৰিত্ৰ-লিপি বিশ্ব-পটৰ পৰা কোন মচি পেলাবলৈ সক্ষম হ'ব ?

'ক্ৰমৱেল'ৰ তৰোৱাল আজি মামৰে খাই নাইকিয়া কৰিলেও, মিল্টনৰ লিখনী ভোটা কৰে কোনে ? মহাপুৰুষ শঙ্কৰ মাধৱৰ ধৰ্ম্ম পাহৰিলেও, তেওঁলোকৰ কীৰ্ত্তন ঘোষাৰ পদ-পয়াৰ নিমাত কৰে কোনে ?

এই কথা ঠিক যে, একোটা জাতি সাহিত্যৰ জোখত হিমালয়তকৈয়ো ওখ হৈ জগতত মূৰ দাঙি জিলিকি থাকিব পাৰে। এনে সাহিত্যৰ সেৱা কৰা একোটা জাতিৰ পক্ষে গুৰু-সেৱাৰ দৰে নিত্য-নৈমিত্তিক কাৰ্য্য বুলি ক'ব পাৰি। এয়ে সকলো কালৰপৰা কৰিৱপৰা ইষ্টদেৱতাৰ পূজা। এটা জাতিৰ জাতীয় প্ৰাণ সজীৱিত কৰি তুলিবলৈ ইয়াতকৈ আন অমৃত একো হ'ব নোৱাৰে। এয়ে জাতিৰ পঞ্চামৃত, এয়ে সংকল্প-শিলিখা, এয়ে ইষ্টদেৱতা-দৰ্শন।

# অহৈতুক আনন্দ

লোকাৰণ্যৰ মাজত নিজক কি দৰে পাহৰি নৰনাৰায়ণৰ বিৰাট মূৰ্ত্তি চাই আত্মহাৰা হ'ব পাৰি, সেই কথা আনন্দ উৎসৱবিলাকৰ মাজত বেছকৈ অনুভৱ কৰিব পাৰি। হোমৰ ভস্মৰ দৰে পৱিত্ৰ, ভকতৰ পদ-ধূলি শিৰত লৈ কিদৰে আত্মপ্ৰসাদ লাভ কৰিব পাৰি, সেই কথা এনেবিলাক ক্ষণতেই বুজিব পাৰি। ভাবৰ বুৰবুৰণিৰ তলিত জীৱন ধাৰা কিমান গভীৰ সেই কথাও এনে উৎসৱত জন-সমাগমৰ হেন্দোলনিয়ে প্ৰাণত থৌকিবাথৌ লগাই কৈ দিয়ে। খন্তেকীয়া আয়োজনৰ মাজত যুগমীয়া স্মৃতি-সম্ভাৰ কি দৰে উপচি যায়, উৎসৱ-অনুষ্ঠানৰ ভিতৰ কোঁঠালীলৈ সোমাই চালেই গম পোৱা যায়। এনে শুভ ক্ষণতেই মাঙ্গলিক ঘটৰ পঞ্চ-পল্লৱে প্ৰত্যেক জীৱৰ ঘটতে প্ৰাণ কি দৰে পল্লৱিত হৈ সৃষ্টিৰ সৌন্দৰ্য্য বঢ়াইছে, সেই কথা ইঙ্গিতেৰে প্ৰকাশ কৰে। এনেবিলাক ঠাইতেই নামি অহা স্বৰ্গখন বাওনা মানুহেও হাতে হাতে ঢুকি পায়। এনে ঠাইতেই মাটিৰ ধূলি-কণায়ো স্বৰ্ণ-বেণু হৈ পৃথিৱীখন সোণৰ সংসাৰ কৰি তোলে। এনে দিনতে যুগ-যুগান্তৰ আহি থুপ খাইছি, কাণে কাণে কথা কয়, ভৱিষ্যতৰ সন্ধান দিয়ে। এনে জনতাৰ আগত অহঙ্কাৰে মূৰ দোঁৱায়, আত্মম্ভৰিতাই ফালৰি কাটে, ভেদ বুদ্ধিয়ে তলমূৰ

কৰে। এনে মহামেলাৰ বিপুল আয়োজনৰ মাজত থিয় হৈ মানুহে নিজৰ দৰিদ্ৰতাৰ কথা পাহৰি যায়। আদান-প্ৰদান দেখি আত্ম-বিনিময়ৰ মূল্য বুজি উঠে। উৎসৱানন্দ প্ৰাণে এনেবিলাক আয়োজনৰ মাজতেই বহিৰ্জগতৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ ব্যাকুল হৈ উঠে।

এই উৎসৱ, এই আনন্দৰ বাবে প্ৰাণ মতলীয়া হৈ উঠে কিয়, ইয়াৰ প্ৰয়োজন ক'ত? ইয়াৰ উত্তৰ দিয়া টান; কিন্তু প্ৰাণৰ এইটো লক্ষণেই। মৌ-মাখিয়ে মৌ-চাক পাতোতে খেৰৰ জুমুথি বা গছ-ভালুকৰ স্বপ্ন নেদেখে। ফুলে ফুলে সন্ধান কৰি অনা মৌ একোকণেৰে মৌ-চাকটি মধুময় কৰি তোলাই তাৰ প্ৰাণৰ আকাঙ্ক্ষা। বহুঘৰাত মুখ দিয়াতকৈ মুখেৰে কটিয়াই বহঘৰা পাতোতেই তাৰ আনন্দ, তাৰ ব্যাকুলতা। ফুলৰ আনন্দ সৌৰভ বিলোৱাতেই, পাতৰ আনন্দ ফুলক সুন্দৰ কৰি তোলাতেই—কলিতে কুটি পেলোৱা পোকৰ কথা ভাবিবৰ প্ৰয়োজন নাই। নৃত্য-ভঙ্গীমাৰে কুলকুলকৈ বৈ যোৱাতেই জুবিটিৰ আনন্দ, বাটত কিমান বিলাক শিলত থেকেচা খাই আহিছে, সেই কথালৈ কাণ নকৰে। নিজম মাজ নিশা কেতেকী চৰায়ে উদাস আকাশত উদাৰ প্ৰাণৰ সুৰ ঢালিয়েই আনন্দ পায়, সুপ্ত-জগতে শুনক বা নুশুনক; চ'তৰ বিহু গাত লাগিলে কপৌ ফুলৰ ফুলাতে আনন্দ, বহাগীয়ে খোপাত পিন্ধক বা নিপিন্ধক; তেজী-ৰঙা হৈ ফুলাতেই মদাৰৰ আনন্দ, তেহেলৈ

দেৱতাও লাগক বা নালাগক ; বাতিতে ফুলি বাতিতে মাৰ যোৱাতেই থেকেৰা ফুলৰ আনন্দ, জগতে সেই সৌন্দৰ্য্য দেখক বা নেদেখক ; ইপাৰ সিপাৰ নেদেখা জলৰাশিৰ খলকনি লগাই জোৱাৰ তোলাতেই সাগৰৰ অপাৰ আনন্দ ; লৰাৰ আনন্দ চোতালত বাগৰি যোৱা বৰষুণৰ পানীত কুটা এডাল উটাই দিয়েই ; গুৰি পৰুৱাই খুদ এটা কঢ়িয়ায়েই আনন্দ পায়। বিদুৰৰ খুদতো ভগৱান শ্ৰীকৃষ্ণলৈ এটা স্বকীয়া আনন্দ আছিল। আনন্দ-উৎসৱৰ সীমা নাই, জোখ নাই। উৎসৱৰ সাৰ্থকতা উৎসৱেই। এই উৎসৱৰ মাজত লাভ কৰা আনন্দই অহৈতুক—কাম-গন্ধ-হীন।

# সাহিত্যৰ স্বৰূপ

## সাহিত্যৰ স্বৰূপ কি

সাহিত্যৰ স্বৰূপ কি? ইয়াৰ উত্তৰ দিয়ে কোনে? এই প্ৰশ্নৰ উত্তৰ পূৰ্ব্বতে খৰচি মাৰি দি থোৱা বিধৰ নহয়। মানুহে জীৱনৰ বেছি ভাগ প্ৰশ্নৰে উত্তৰ আজিলৈকে পোৱা নাই। সাহিত্য সম্বন্ধেও সেই একে কথা। হাজাৰ প্ৰশ্নৰ মাজতো জীৱনৰ কাম যি দৰে চলি আছে, সাহিত্য-ধাৰাও সেই দৰে বৈ গৈছে। এই ধাৰাতেই আমি ভূত, ভৱিষ্যত, বৰ্ত্তমানৰ ত্ৰিবেণী-সঙ্গম দেখিবলৈ পাওঁ। খটখটীয়েদি উঠা-নমা কৰি অৱগাহন নকৰিলে যি দৰে তীৰ্থ-স্নানৰ পুণ্য ফল পোৱা নাযায়, সেইদৰে সাহিত্য-চৰ্চ্চা কৰি প্ৰাণত অনুভূতি নহ'লেও, সাহিত্য-সৰাৰ সুৰুদি ফল ভোগ নহয়।

## প্ৰাণৰ গম্ভীৰ অনুভূতিত সাহিত্যৰ স্বৰূপ

এই অনুভূতিনো কি? তাৰ স্বৰূপ প্ৰকাশ কৰা টান। মাত্ৰ আলেঙে-আলেঙে তাক অলপ দেখুৱাব পাৰি। এই অনুভূতিয়েই মানুহক জন্তুৰ শাৰীৰপৰা আঁতৰাই গাত এখন দিব্যাভৰণ দি বেলেগ ৰূপত দেখুৱাই আহিছে। প্ৰাণী জগতত মানুহ বুনিয়াদী ঘৰৰ হোৱাৰ কাৰণো এয়েই। প্ৰাকৃতিক জগতৰ লগত মানুহৰ যি সম্বন্ধ, সাধাৰণ জন্তুৰো প্ৰায় সেই একে সম্বন্ধই। কিন্তু মানুহৰ পক্ষে আন এঠাইত

আৰু এটা আপুৰুগীয়া সম্বন্ধ আছে। মানৱাত্মাই প্ৰাকৃতিক জগত আৰু মনোৰাজ্যৰ দুই সীমাৰ ভিতৰত অহা-যোৱা কৰোতে যি বিলাক অতি গোপনীয় তথ্য দেখা পায়, সেয়ে প্ৰাণৰ গভীৰ অনুভূতি। স্ব-প্ৰকাশ আত্মাই এই অনুভূতি প্ৰকাশ কৰিবলৈ যাওঁতে যি বিলাক ইঙ্গিত দিয়ে, সেয়ে সাহিত্য বা সাধাৰণভাৱে সামৰি ধৰাকৈ ক'বলৈ গ'লে 'আৰ্ট' বা সুকুমাৰকলা। এই ইঙ্গিত নটুৱাৰ নাচত, ভাৱৰীয়াৰ ভাওনাত, গায়নৰ গীতত, বায়নৰ বাদ্যত, কবিৰ কাব্যত, খনিকৰৰ হাতত, নাট-মাত-গীতৰ সংযোজনাত, সাহিত্যৰ নানা ৰঙত বোলোৱা মানস পটত, নানা ঠাচত, মানৱাত্মাই পাকে-প্ৰকাৰে বাহিৰলৈ আহি দেখুৱাবৰ চেষ্টা কৰি আহিছে। এই চেষ্টাৰ যে কাহানিবা বিৰতি হ'ব সেই আশা কম। কিয়নো, গোটেই বিশ্বব্ৰহ্মাণ্ড জুৰি থাকিবপৰা আত্মাৰ অনুভূতিৰ এই আঁৰ-কাপোৰত লুকাই থকা সৃষ্টিৰ হবেক ৰকম পুতলা-নাচ ওলায়েই থাকিব—তাৰ অন্ত নপৰে। এই পুতলাবিলাকত প্ৰাণ সঞ্চাৰ কৰি জীৱন্ত কৰি তুলিবলৈ যি ৰকমৰ হেঙুল-হাইতাল মাৰি ৰহণ তোলাৰ দৰকাৰ, সেই ৰহ বা ৰস সৃষ্টি কৰাই সাহিত্য বা সুকুমাৰকলাৰ ধাই কাম।

## সাহিত্য ৰস স্বৰূপ

যি জাতিৰ সাহিত্য নাই, যি জাতি সুকুমাৰকলাৰ উপসাক নহয়, সেই জাতিৰ ঈশ্বৰো নাই বুলি এক ৰকমে

ক'ব পাৰি। কাৰণ, আৰ্য্য ঋষিসকলে তথ্যৰ পম খেদি খেদি শেহত পালেগৈ, 'ৰসো বৈ সঃ'—তেওঁৱেই ৰস-স্বৰূপ। ৰসাল ব্ৰহ্মতেই সৃষ্টিৰ সকলো লীলা চলিব লাগিছে। এই ৰসৰ অবিহনে শুকান শব্দ-সমষ্টি যদি কোনো প্ৰকাৰৰ সাহিত্য হ'ব নোৱাৰে, ইয়াৰ ৰহণ নিদিলে শিল্পীৰ যি কোনো বিধৰ অঙ্কনেই যদি প্ৰাণৱন্ত কৰি তোলা টান হয়, তেনেহ'লে সাহিত্য-সেৱা, সুকুমাৰকলাৰ উপাসনা ঈশ্বৰ-সেৱা নহৈ কি হ'ব পাৰে? চৰাচৰ এই সমস্ত জগতেই যেতিয়া ব্ৰহ্ম, তেতিয়া এই সকলো বিধ বাস্তৱতাৰ মাজত থকা সত্য, মঙ্গলময়, সুন্দৰ—এই ত্ৰিগুণাত্মক অনুভূতিৰ ৰসাত্মক সাহিত্য আৰু কলাৰ মাজত ব্ৰহ্মানন্দৰ শেষ আনন্দম্ নাথাকি আন কোন ঠাইত থাকিব পাৰে? ভাৰতৰ বৈষ্ণৱ-সাহিত্য আৰু ইচলামৰ 'চুফি' সাহিত্যত এই সত্য সুন্দৰৰূপে প্ৰকাশ পাই আহিছে। সাহিত্য আৰু কলাৰ সকলো প্ৰকাৰ চৰ্চ্চা কৰা মহাপুৰুষীয়া ধৰ্ম্মৰ বিশেষত্বও এই বাবেই। 'অব্যক্ত ঈশ্বৰ হৰিক' পূজা কৰোতা, নিৰঞ্জন, সনাতন ব্ৰহ্মৰ উপাসক শঙ্কৰদেৱে তত্ত্বদৰ্শী ঋষিসকলৰ লগত বুজি উঠিছিল, 'ৰসো বৈ সঃ'—তেঁৱেই ৰস-স্বৰূপ। সেইহে তেওঁ সাহিত্য আৰু কলাৰ এটি ৰস-ভাণ্ড দি মহাপুৰুষীয়া ধৰ্ম্ম ৰসাল কৰি থৈ গ'ল। সাহিত্য আৰু কলাৰ সাৰ্ব্বজানিকতা এই খিনিতেই। এনে সাহিত্য আৰু কলাৰ চৰ্চ্চা কৰা বিশ্ব-মানৱৰ ধৰ্ম্ম।

## সাহিত্যহীন জাতিৰ স্বাধীনতা নাই

সাহিত্য নোহোৱা জাতিৰ স্বাধীনতাও নাই বুলিব পাৰি। এটা জাতিৰ স্বাধীনতাৰ ৰূপ দাপোণৰ দৰে এই

সাহিত্যতে প্ৰতিফলিত হয়। ইতিহাসত ইয়াৰ যথেষ্ট প্ৰমাণ পোৱা যায়। ৰুচোঁ, ভল্‌টেয়াৰৰ লিখনীৰ মুখত ফৰাচী জাতিয়ে সাম্য-মৈত্ৰী স্বাধীনতাৰ বীজ-মন্ত্ৰ পাইছিল। মিল্টনৰ লিখনীয়ে ক্ৰম্‌ৱেলৰ তৰোৱালত কি দৰে শান দিছিল, সেই কথালৈ মন কৰিলেই এই সত্যৰ উপলব্ধি হ'ব। অতীজৰেপৰা সকলো দেশৰ স্বাধীনতাৰ ইতিহাস পঢ়ি চালে এটা কথা দেখা যায় যে, এখোন দেশত স্বাধীনতাৰ প্ৰবল সোঁত এঢালেদি বৈ যোৱাৰ পূৰ্ব্বতে, সেই দেশৰ সাহিত্যৰ বাণে দেশখন আগধৰি প্লাৱিত কৰি স্বাধীনতাৰ বীজ গজি উঠিব পৰাকৈ পলসুৱা কৰি থয়।

### বাস্তৱতাৰ লগত সাহিত্যৰ ওতপ্ৰোত সম্বন্ধ

সাহিত্যৰ লগত বাস্তৱতাৰ সম্বন্ধ কি? এই বিষয়ে যথেষ্ট মতভেদ আছে। সেয়ে হ'লেও, এই কথা ঠিক যে, এই সম্বন্ধ তেল-পানীৰ সম্বন্ধ নহয়। পানীৰ ওপৰত ওপঙি থকা প্ৰস্ফুটিত শতদল পদ্ম পঙ্কজ হ'লেও, নিজে যি দৰে পঙ্কিল বস্তু নহয়, সেই দৰে সাহিত্যৰ ঘাই শিপাডাল বাস্তৱতাৰ ভূমিত দকৈ সোমায় যদিও সেই ভূমিৰ পৰাই ৰস টানি সি জীয়াই আছে, তথাপি সেই ভূমিৰ ধূলি মাকতিত সি লেও খাই থকা বস্তু নহয়। সাহিত্যৰ সেউজীয়া পাত বিলাক কল্প-লোকৰ বিশুদ্ধ 'নাইট্ৰোজেনে'হে সদায় সতেজ কৰি থৈছে। তাৰ বলতেই শুকান ডালতো কুঁহিপাত ওলায়, সেয়ে ৰূপান্তৰিত হৈ সৌৰভময় ফুল, সুৰদি ফলত

পৰিণত হ'ব পাৰে। এয়ে কাব্যামৃত ৰসৰ সৃষ্টি। আমি অনেক সময়ত ভাবো—হাতে চুকি পোৱাটিয়েই বস্তু, মনে চুকি পোৱাটি নহয়। এইটো ভুল ধাৰণা। প্ৰকৃততে হাতৰ মুঠিয়ে পোৱা অংশত সেই বস্তুৰ অস্তিত্ব বা সত্বা নাই, মনেহে সেই সত্তা চুকি পাব পাৰে। বটগছ জোপাৰ সত্তা বনবীয়া হাতী বান্ধি থ'ব পৰা তাৰ গা-গছত নাই। আছে—সৰিয়হ গুটি যেন তাৰ বীজটিৰ ভিতৰতহে। এপুৰা মাটি জুৰি থকা, দুই হাতে আঁকোৱালি নোপোৱা বটগছ জুপি যিদৰে বাস্তৱ পদাৰ্থ বুলি প্ৰত্যয় হয়, সেইদৰে সৰিয়হ এটামান বীজটিৰ ভিতৰত সোমাই থকা, চকুৰে নেদেখা, হাতেৰে চুই নোপোৱা বটগছ জুপিৰ বিকাশ শক্তিটোও বাস্তৱ আৰু অনুভূতিৰ বিষয়। এই অনুভূতিৰ বাবেই জাৰকালি পাত সৰি শুকান নিস্তেজ হৈ থকা গছ এজোপাৰে বসন্তকালৰ কথা আমি ভাবিব পাৰো। সেই জোপা গছৰ কুঁহিপাত, পল্লৱিত শাখা, ফুলে ফলে দৌ-খোৱা ৰূপ আৰু সৌন্দৰ্য্য চকুৰ আগত জিলিকি উঠা দৰে উঠে। এই অনুভূতিৰ বাবেই মৰা নলডাল গজালিটোৰপৰা আকৌ গজি উঠিব বুলি প্ৰত্যয় হয়। এই অনুভূতিয়েই স্থূল-জগতৰ লগত সূক্ষ্ম-জগতক সংলগ্ন কৰি ৰাখিছে বা লগ্ন-গাঁঠি দি প্ৰকৃতিৰ ভিতৰ কোঁঠালিত সোমাই ৰহস্য চাইছে। এই ৰহস্যৰ সৌন্দৰ্য্যখিনি সৃষ্টি কৰাই সাহিত্য আৰু কলাৰ ঘাই কাম। এই চকুৰে চালে বাস্তৱ-জগত আৰু কল্প-লোকৰ মাজত কোনো ব্যৱধান

নাথাকে। উভয়ে উভয়ত ওতপ্ৰোতভাবে থকা বস্তু। প্ৰভেদ মাথোন এইখিনিতেই যে, বাস্তৱ জগতৰ ঘটনাবিলাকে নিজে এই সৌন্দৰ্য্য-ৰোধ সৃষ্টি কৰিব নোৱাৰে; মনে সময়ৰ মাজৰে ধৰিব নোৱাৰা কল্প-লোকৰ ৰহণ আনি তাত সানি দিলেহে সেই সৌন্দৰ্য্য জিলিকি উঠে।

## সাহিত্যত সত্যং শিৱং সুন্দৰম্

সত্যৰ সাধনা, মঙ্গল কামনা, সুন্দৰৰ উপাসনা—এই ত্ৰিগুণাত্মক আদৰ্শই সাহিত্য বা কলাৰ চানেকি—গৌণভাবে জাগতিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ মাজৰপৰা তাৰ সজুলি গোটাই লয় মাথোন। নিজৰ সৃষ্টি তেনেই সুকীয়া বস্তু। এই সৃষ্টিত বেলেগ বেলেগ ৰং থাকিলেও, চকু জুৰ কৰা ৰাম-ধনুৰ সৌন্দৰ্য্যকেহে প্ৰতিফলিত কৰে। তাত প্ৰাকৃতিক জগতৰ বিশ্বমানৱৰ সকলো ৰকম অনুভূতিৰ সমাবেশ আছে,—বিৰোধ নাই। সেই কাৰণেই শেক্সপিয়েৰৰ মিৰাণ্ডা, কালি-দাসৰ শকুন্তলা চৰিত্ৰ, জগতৰ সকলো সমাজৰ লোকৰ আদৰ্শৰ বস্তু। প্ৰেমৰ উন্মেষ তপোবনত যি দৰে, সাগৰৰ মাজৰ মাজুলি এটাটো সেইদৰে হোৱাৰ কথা। প্ৰাকৃতিক বিভিন্ন অৱস্থাৰ মাজতো চৰিত্ৰৰ এই গভীৰ সত্য অঙ্কন কৰি দেখুৱাবপৰা বাবেই তেওঁলোক মহাকবি। আৰ্য্য ঋষিসকলে যিবিলাক তত্ত্ব অন্তদৃষ্টিৰে দেখিছিল, প্ৰতীচ্য জগতৰ দাৰ্শনিক সকলেও হুবহু তেনেবিলাক তত্ত্বৰ কথা কৈ গৈছে। তেনাচ

আৰু তিলোত্তমাৰ ভিতৰত যথেষ্ট সাদৃশ্য আছে। হোমাৰৰ ইলিয়াড্, বাল্মিকীৰ ৰামায়ণ সদাৰ পৰা বস্তু। সাহিত্য আৰু কলাৰ চৰ্চ্চাত এটি মঙ্গলময় ভাব আছে। যি জাতিৰ যি সময়ত সাহিত্য আৰু কলাৰ চৰ্চ্চা যথেষ্ট হৈছিল, সেই জাতিৰ সেই সময়টো শান্তিৰ যুগ বুলি বুৰঞ্জীয়েও সাক্ষ্য দিব। সকলো ক্ষেত্ৰতে এই কথা ঠিক বুলি ক'ব নোৱাৰিলেও, সাধাৰণ ভাৱেই সচাঁ। বিপ্লৱী সাহিত্যৰো জগতত সৃষ্টি হৈ গৈছে যদিও, সি দেখা স্বৰূপতহে তেনে। তাৰ সুদূৰ লক্ষ্য জগতত, নিজৰ জাতিৰ মাজত, শান্তি স্থাপন কৰাহে।

## সাহিত্যত সৌন্দৰ্য্য-বোধ সহানুভূতিতহে

সাহিত্য আৰু কলাৰ মাজত যিটো সৌন্দৰ্য্য-বোধ আছে, সি অতুলনীয় বস্তু। ঋষি ইমাৰ্চনে কোৱাৰ দৰে সৌন্দৰ্য্য বোলা কথাষাৰ অকলশৰীয়া বস্তুত নাথাটে। আনৰ লগত ইয়াৰ সম্বন্ধ স্থাপন হ'লেহে সৌন্দৰ্য্য-বোধ হয়। বস্তুৰ সৌন্দৰ্য্যতকৈ এই সম্বন্ধৰ সৌন্দৰ্য্য-বোধ সৃষ্টি কৰাই সাহিত্য-কলাৰ ঘাই কাম আৰু উদ্দেশ্য। জ্ঞানৰ লগত জগতৰ এটা অবিচ্ছেদ্য সম্বন্ধ আছে—এই কথা চক্ৰেটিছে বুজাব পাৰিছিল বাবেই তেওঁৰ অতি কুশ্ৰী চেহেৰাৰ মাজেদিও জ্ঞানীৰ সৌন্দৰ্য্য ফুটি উঠিছিল। অহিংসাৰ মাজেদি হিংসাৰ বিকট মূৰ্ত্তি দূৰ কৰিবলৈ তপস্যা কৰা মহাত্মা গান্ধীৰ কৌপিনত বত্ৰিশ অলঙ্কাৰৰ সৌন্দৰ্য্য, সোলা হাঁহিটোত শিশুৰ মুখৰ উৎফুল্লতা কোনে মন নকৰি পাৰিব? ধ্যান-

স্তিমিত-লোচন বুদ্ধৰ প্ৰস্তৰ মূৰ্ত্তি এটিয়ে হৃদয়ত গভীৰ সমাধিৰ ভাব সৃষ্টি কৰি বহিৰ্জগত আৰু অন্তৰ্জগতৰ লগত এটা নিছিগা সম্বন্ধ স্থাপন কৰিব পাৰে বাবেহে সেই শিলা মূৰ্ত্তি ইমান সৌম্য, শান্ত, চকুৰ জুৰণি। বাদচাহী প্ৰেমৰ অফুৰন্ত নিজৰাত উদ্ভাসিত, অৱৰ্ণনীয় মমতাত জন্ম মমতা-জ তাজমহল পবিত্ৰ প্ৰেমৰ নিদৰ্শন বাবে, আজিও জগতৰ পক্ষে এটি চমৎকাৰ স্বপ্ন-লোক হৈ চাই থাকোতেই দৰ্শকৰ চকুত মুহূৰ্ত্তে মুহূৰ্ত্তে একোটা নতুন চমক লগাই থাকে। তাজমহলৰ গাত শিল্পীয়ে যদি এজন বাদচাহৰ বিশাল বুকুৰ মাজেদি বৈ যোৱা প্ৰেমৰ ৰস-ধাৰাৰ ৰহণ আনি সানিব নোৱাৰিলেহেঁতেন, দৰ্শকৰ প্ৰাণত যদি সেই ৰহণৰ চমক নালাগিলহেঁতেন, তেনে হ'লে তাজৰ নিস্তেজ পাথৰৰ স্তূপত তেনেটো সৌন্দৰ্য্য-বোধ কেতিয়াও হ'ব নোৱাৰিলেহেঁতেন। হাত ভৰি পিণ্ডত শালি প্ৰভু যীশুখ্ৰীষ্টক তলত ধানখেৰৰ জুই ঘলোৱা ৰক্তাভ অগ্নি-শিখা অঙ্কন কৰি দেখুৱা চিত্ৰ-পট দেখি দৰ্শকৰ হৃদয়ত সেই কুৰা জুইৰ অন্তৰ্দ্দাহ হয় বাবেহে, তেনে এখন অমানুষিক অত্যাচাৰৰ চিত্ৰ-পটতো কৰুণ ৰস বৈ যায়। প্ৰবল বতাহ-ধুমুহাৰ মাজত ঢৌত থেকেচা খাই বুৰো বুৰো হোৱা নাও এখনিৰ গুৰি বঠা ধৰি সংগ্ৰাম কৰা নাৱৰীয়া এটিৰ অৱস্থা অঙ্কিত চিত্ৰ এখনিত দেখিলে নিজেও যেনে তেনে বিপৰ্য্যয়ত পৰি অধৈৰ্য্য হৈছো, এনে অনুভূতি হয়। ইয়াৰ কাৰণ কি? কাৰণ হৈছে, সেই দৃশ্যই জীৱনৰ সুখ-দুখৰ

ঢৌৰ কথা মনত পেলাই দিয়ে। মূৰৰ ওপৰে যোৱা শত ঘটনাৰ বতাহ-ধুমুহাৰ কথা সোঁৱৰাই দিয়ে। সেই দৃশ্যৰ লগত আত্মাৰ অগোচৰতে এটা সম্বন্ধ স্থাপন হৈ যায়। নহলে বেৰত আঁকি থোৱা ছবিখনে প্ৰাণত এনেদৰে তোলপাৰ লগাব নোৱাৰিলেহেঁতেন। মহাভাৰতত বৰ্ণোৱা কুৰুক্ষেত্ৰৰ যুদ্ধখন যদি মানৱ-সমাজৰ দৈনন্দিন ঘটনাৰ ঘাত-প্ৰতিঘাতৰ দ্বন্দৰ মাজতো মানুহে অনুভৱ নকৰিলেহেঁতেন, তেনে হ'লে সি এখন মহাকাব্য নহৈ কেৱল কুৰু-পাণ্ডৱৰ ৰাজ্য লৈ হোৱা যুদ্ধৰ বিৱৰণ হিচাপে এখন ডাঙৰ বুৰঞ্জীহে হ'লহেঁতেন। মানুহে তাকে পঢ়ি কিছুমান ঘটনাৰ বিষয়ে জানিলেহেঁতেন, এই মহাকাব্যৰ লিখনীৰ মুখত বৈ যোৱা করুণ, বীৰ-ৰস আদি নানা ৰসৰ সোৱাদ ল'বলৈ মানুহৰ হেঁপাহ নাথাকিলহেঁতেন। আনফালে ৰাৱণ বধেই ৰামায়ণৰ ঘাই ঘটনা নহয়। বাল্মিকী-প্ৰতিভাই তাৰ পাতে পাতে যিবিলাক সমাজ-চিত্ৰ আঁকি দেখুৱাইছে, যি বিলাক চিত্ৰ সদায় মানৱ-সমাজত প্ৰতিফলিত হৈ মানৱ-হৃদয় তোলপাৰ লগাই থাকে, সেই বিলাক চিত্ৰৰ নিখুত অঙ্কন হোৱা বাবেহে ৰামায়ণো এখন মহাকাব্য। দশৰথ হেন ৰজাৰ কৈকেয়ীৰ ওচৰত দুৰ্ব্বলতা, ইফালে ভৰতৰ, সেইদৰে, সিংহাসনতকৈ ভ্ৰাতৃ-স্নেহৰ প্ৰাবল্যতা, ৰামৰ পিতৃ-আজ্ঞা পালনেই প্ৰথম কৰ্ত্তব্য-জ্ঞান, সীতাৰ পতিসঙ্গত বনবাসতেই স্বৰ্গ-সুখৰ কল্পনা, সেইদৰে ৰাৱণে ছল কৰি সীতাক হৰণ কৰিবৰ সময়ত লক্ষ্মণৰ

ভ্ৰাতৃ-আজ্ঞা লঙ্ঘন আৰু সীতা দেৱীৰ অনুচিত কথাৰ মাজত পৰি দোধোৰমোৰ অৱস্থা, হনুমন্তৰ প্ৰভু-ভক্তি, সীতাৰ অগ্নি-পৰীক্ষা, প্ৰজাৰঞ্জক ৰামৰ সীতাৰ বনবাস-আজ্ঞা দিয়াৰ সময়ত মনৰ থৌকিবাথৌ অৱস্থা—এনে বিলাক চিত্ৰইহে ৰামায়ণখন ভুপৰীয়া গধূলি ঘৰে ঘৰে পঢ়ি থকা শাস্ত্ৰ কৰি থৈছে। তাৰ ওচৰত লক্ষ্মণ শেলত পৰা, সেতু-বন্ধ, হনুমন্তই লঙ্কা ছাৰখাৰ কৰা কথা, ৰাৱণ হেন বীৰৰ বধ একৰকম সামান্য ঘটনা। মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তনখনি অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণৰ লীলাৰ মাজেদি ৰসাল কৰি নোতোলাহেঁতেন, নীৰস ব্ৰহ্মক হাতৰ চাপৰি, ঢোলৰ ঘেতাত, মৃদঙ্গৰ বোলত, নটুৱাৰ ত্ৰিভঙ্গত, নাটৰ ভাওনাত, প্ৰাকৃতিক বৰ্ণনাত 'ৰসো বৈ সঃ', তেঁৱেই ৰস—এই ভাবত, ৰস-ভাগুত, পোৱা নগ'লহেঁতেন।

## সাহিত্য চিৰন্তন সত্য

সাহিত্যৰ সৃষ্টি সাময়িক বস্তু নহয়। সি সময়ৰ অতীত বস্তু। সি কোনো এটা ঘটনাৰ আশ্ৰয় ল'ব পাৰে, কিন্তু নিজে প্ৰকাশ কৰা অনুভূতিবিলাক চিৰ নিত্য—নতুন। জগত-কবি শেক্সপিয়েৰৰ নাটকৰ ঘটনাৱলী প্ৰায়ে ক্ৰনিকোল্ বা সামান্য বিৱৰণ একোটাৰপৰা লোৱা। বিশেষ সময় বা ঠাইৰ, বিশেষ জাতিৰ ঘটনা হিচাপে তাৰ মূল্য তেতি কম। কিন্তু শেক্সপিয়েৰে সেই ঘটনাবিলাক বিশ্লেষণ কৰি মানুহৰ হৃদয়-তন্ত্ৰীৰ নিচেই চুলি যেন তাঁৰডালৰ লগত একে সুৰতে

বান্ধি এনেদৰে ৰজাব পাৰিছে যে, সি কোনো কালে মানব-চৰিত্ৰত বে-সুৰে বাজিব নোৱাৰে। কালিদাসেও তেওঁৰ নাটকৰ ঘটনাবিলাক পুৰাণৰ জঁকাটোৰপৰা আনি এনে ভাবে তাত ৰক্ত-মাংস দি চৰিত্ৰৰ সোঁত বোৱাই দিছে যে, তাৰ ৰস পান কৰি মানব-সমাজে শেষ কৰা টান। উপমাৰ সোণৰ শিকলিৰে মানব-চৰিত্ৰ, প্ৰাকৃতিক বস্তু, আধ্যাত্মিক অনুভূতি এই দৰে বান্ধি পেলাইছে যে, কোনেও কাৰো সংলগ্ন এৰি নিজক নেহেৰোৱাকৈ থাকিব নোৱাৰিব। বহিৰ্জগত আৰু অন্তৰ্জগতৰ একত্ববোধ কি বস্তু, সেই কথা কালিদাসৰ মেঘদূতলৈ এবাৰ চাই পঠিয়ালেই হ'ব। আহাৰ মহীয়া আকাশত প্ৰাকৃতিক নিয়মত কিমান যে ক'লা ডাৱৰ বছৰি উঠে আৰু নাইকিয়া হয়, তাৰ কোনে লেখ ৰাখে? কিন্তু কালিদাসে যি ছটা ডাৱৰক মেঘদূত কৰি অলকাপুৰীত সুমাই দিলে, সি চিৰকাললৈকে হৰণ-ভগন নোহোৱা অমৰ বস্তু হৈ ৰ'ল। কিয়নো, সেই ছটা স্বাভাৱিক বিৰহ-বেদনাৰ উষ্ম-বাষ্পত সৃষ্টি হোৱা ডাৱৰ। জগতত প্ৰেমৰ লীলা-খেলা থাকে মানে বিৰহ-বেদনাও থাকিব। গতিকে তাৰ উষ্ম-বাষ্পত সৃষ্টি হোৱা কালিদাসৰ এই ছটা ডাৱৰ কেতিয়াও ক্ষয় হ'ব নোৱাৰে।

## সাহিত্য আত্মাৰ খোৰাকি

সাহিত্যই মানুহক বৰ্বৰৰ অৱস্থাৰপৰা আঁতৰাই আনি সভ্যতাৰ ওখ টিঙত তুলি বৈচিত্ৰময় জগতখনৰ উদ্ভাসিত

সৌন্দৰ্য্যৰাশি দেখুৱাই দিয়ে। তেতিয়া জগতৰ খলা-বমা ঠাইখিনিকো সেউজীয়া ভাৱৰ আভৰণখনিয়ে কি দৰে সতেজ কৰি থয়, সেই কথা অনুভৱ কৰিব পাৰি। বৰ্ব্বৰ অৱস্থাত প্ৰাকৃতিক জগতৰ লগত মানুহৰ সম্বন্ধ ভাত মাছৰ সম্বন্ধৰ দৰে আছিল। তেতিয়া মানুহে প্ৰাকৃতিক জগতৰপৰা দেহ ৰক্ষাৰ উপায় বিচাৰিছিল সচাঁ; কিন্তু তাতো যে আত্মাৰ খোৰাকি আছে, সেই কথা হ'লে বুজি উঠা নাছিল। প্ৰাকৃতিক জগতৰ উহ বিচাৰি যাওঁতে যাওঁতে মানুহে যেতিয়াৰ পৰা আন এখন মনোৰাজ্যত আত্মতুষ্টিকৰ হবেক ৰকমৰ সম্ভাৰ পাবলৈ ধৰিলে, তেতিয়াৰপৰা মানুহ এটা নতুন ঐশ্বৰ্য্যৰ অধিকাৰী হৈ উঠিল। সভ্যতাৰ আৰম্ভনো তেতিয়াৰপৰাই হ'ল বুলিব পাৰি। সাহিত্যই এই সভ্যতাৰ প্ৰস্ফুটিত পদ্ম। ইয়াৰ শতদল বিকাশেই মানস-সৰোবৰৰ সৌন্দৰ্য্যৰাশি। পদুমহীন পুখুৰী, চলে যদিও, যি দৰে শোভা নাপায়, সাহিত্য হীন জীৱনো চলিব পাৰে, কিন্তু তাক প্ৰস্ফুটিত জীৱন বুলিব নোৱাৰি। তাৰ সৌৰভ বহুত দূৰলৈ নাযায়। নাযায় কিয়, —তাৰ সৌৰভেই নাই।

# চেনেহী ভাষা জননী

মাতৃ ভাষাতকৈ অমৃত বৰষা ভাষা আৰু কিবা হ'ব পাৰে নে? তেনে ভাষা আৰু সাহিত্যৰ যি উপাসক নহয়, তেঁৱেই প্ৰকৃত নাস্তিক বুলি ক'ব পাৰি। তেনে লোকৰ পৰমপদ লাভ হ'ব নোৱাৰে। জননী আৰু জন্ম-ভূমি স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ বুলি কোৱা হয়। তেনে জননীক যি ভাষাই 'মোৰ আই' বুলিবলৈ শিকালে, তেনে জন্ম-ভূমিক 'অ' মোৰ আপোনাৰ দেশ' বুলি সমস্বৰে গাবলৈ প্ৰেৰণা দিলে, তেনে মাতৃ-ভাষা বৈকুণ্ঠৰো যে উপৰত, সেই কথা ক'ব লাগিছেনে? আজি কত শ বছৰৰ পূৰ্ব্বিতে বাল্মিকী বেদ-ব্যাসেও অসমীয়া মাতৰ সুললিত সুৰত অসমীয়া মানুহৰ ঘৰে ঘৰে ৰামায়ণ মহাভাৰত শুনাবলৈ ভাল পালে। 'ব্ৰহ্মাণ্ডক ভেদি' অহা 'হৰি-নাম-ৰস' মাতৃ-ভাষাৰ 'সুৰীয়া' মাতেৰে বোৱাই দিবলৈ শঙ্কৰ-মাধৱৰ বুকুলৈ সাহ আহিল ক'ৰপৰা? দেৱতায়ো ভাল দৰে কাণ পাতি শুনিলেহে বুজিবপৰা সংস্কৃত শাস্ত্ৰবিলাক পানী যেন কৰি অসমীয়া নাটত, মাতত, গীতত, পদ-পয়াৰত বান্ধি, খৰিকটীয়াৰ মুখত শুনি বনৰ পহুৱেও কাণ থিয় কৰিব লগীয়া কৰিলে কেনেকৈ? সেই সাহ, আত্ম-বিশ্বাস হ'লে আজি ভাষা-জননীৰ সেৱক-সকলেও বৰ্ত্তমান যুগতো জগতৰ জ্ঞান-বিজ্ঞানৰ শ্ৰেষ্ঠ গ্ৰন্থৰাজি

অসমীয়া মাতত সৰসৰীয়া কৰি অসমীয়াৰ কাণত বৈ যোৱাকৈ প্ৰাণত বৈ যোৱাকৈ, আত্মাত থিত লোৱাকৈ তৰ্জমা কৰি, ভাব গ্ৰহণ কৰি, নিজৰ ৰহণ সানি সাহিত্যৰ সাতসৰী এধাৰি চেনেহী ভাষা-জননীৰ ডিঙিত পিন্ধাব পাৰিব। আমাৰ উঠি অহা সাহিত্যকসকল এশ্ৰেণী নতুন মধুকৰী হ'ব লাগিব। জগতৰ শ্ৰেষ্ঠ সাহিত্যকসকলৰ দুৱাৰ মুখত থিয় হৈ মধুকৰী বৃত্তি আচৰণ কৰিব লাগিব। মৌ-মাখিয়ে হাজাৰ ৰকম বস্তুৰপৰা মৌ কাঢ়িয়ায়। কিন্তু নিজে যিটো মধু-চক্ৰ ৰচনা কৰে, তাৰ বিচনীত ওলোৱা মৌ-জোলখিনি এটা নতুন সোৱাদ দিয়া বস্তু। আজি অসমীয়া সাহিত্যতো তেনে এটা নতুন ৰসৰ সোৱাদ পাব লাগিব। বাগ্দেৱী যেতিয়া বীণা-পাণিও, সাহিত্যত শব্দ আৰু সুৰৰ সমাবেশ হ'ব লাগিব। তাৰ ধ্বনি নিশ্চয় ৰহুত দূৰলৈকে যাব।

# সাহিত্যই জাতিৰ দাপোণ

নিজৰ দেশৰ প্ৰাকৃতিক অৱস্থা, সমাজৰ আদৰ্শ, ধৰণ-কৰণ, ধৰ্ম্ম-ভাৱ, হাওৱা-পানী, ভৌগলিক পৰিস্থিতি আদি মূল ঠাইৰপৰাহে সাহিত্য আৰু ভাষাৰ বীজ গজি সেই ঠাইৰ ৰস টানি, সেই ৰসে পৰিপুষ্ট কৰিবপৰা জোখাৰেহে স্বভাৱতে সাহিত্য সৃষ্টি হয়। সেই বুলি কলম-ধৰা কথাটোও যে অস্বাভাৱিক, সিও নহয়। কিন্তু গা-গছডালকে এফালৰপৰা মাৰি অনা ৰঘুমলাৰ গাত কলম-ধৰা গছৰ গুণ থাকিব নোৱাৰে। মানুহ যিমানেই চহকী নহওক, ধাৰ কৰা ৰীতি সংসাৰত সদায় চলি আহিছে। নিজৰ ভৰাল যিমানেই মেটমৰা নহওক, আন ঠাইৰ কোনো এবিধ ভাল ধানৰ সঁচ পালে, তাৰ কঠীয়া তুতোম যত্নেৰে ভৰালত থোৱা আকাঙ্ক্ষা নহৈ নোৱাৰে। সেয়ে হ'লেও, সদায় ধাৰত চলা মানুহক যি দৰে চহকী বুলিব নোৱাৰি, লোকৰ ধাৰ কৰা ডাঙৰিৰে নিজৰ ভৰাল মেটমৰা বুলি ক'ব নোৱাৰি, সেইদৰে লোকৰ সাহিত্যৰপৰা সদায় সোপাসোপে ধাৰ কৰি নিজৰ সাহিত্য-ভৰাল চহকী কৰা হ'ল বুলি যথাৰ্থতে কোৱা টান। গছৰ সৌন্দৰ্য্য বঢ়োৱা কপৌ-ফুলৰ শিপা ডালত ধৰাবলৈ মানুহে নানা ভাৱে যত্ন কৰে; কিন্তু ৰঘুমলা লহপহকৈ বাঢ়ি আহিলেও টানি-আজুৰি শিপা কাটি-ছিঙি দূৰত পেলাই

দিয়ে। সাহিত্যতো এই কথা খাটিব। গা-গছত কপৌ ফুল গ্ৰহণীয়, ৰঘুমলা বৰ্জ্জনীয়।

জাতিৰ প্ৰাণৰ স্পন্দন সাহিত্যৰ হাওফাঁওৰ ভিতৰত নিতে হ'ব লাগিছে। সাহিত্য জাতিৰ দাপোণ স্বৰূপ। তাতেই জাতীয় সকলো অঙ্গ-প্ৰত্যঙ্গ প্ৰতিফলিত হয়। সময়ত নিজৰ গাটো দাপোণত নাচালে যেনেকৈ গাৰ কোন ঠাইত মলি বন্ধ হৈছে ধৰা টান, তেনেকৈ সাহিত্যত জাতীয় মন আৰু আত্মা প্ৰতিফলিত নহ'লে জাতিৰ মানসিক আৰু আধ্যাত্মিক বৃত্তিবিলাক কিমান দূৰ মলিয়ন হৈ পৰে, তাকো সঠিককৈ ধৰা টান। অতি কঠিন লো এডোখৰকো মাজে সময়ে জুলীয়া ৰহণ দি নাথাকিলে যি দৰে মামৰে ধৰি শেহত খাই পেলায়, সেইদৰে সকলো ফালে বলী জাতি এটাৰ ওপৰতো যদি সাহিত্য-কলাৰ প্ৰভাৱ নপৰে, তেনেহ'লে সেই জাতিক সময়ৰ মামৰে খাই ভূমিস্যাৎ কৰিবলৈ বেছি কাল নালাগে। আজি-কালি বহুত নগৰৰ নামঘৰত বিজুলি পোহৰ দিবলৈ সুবিধা আছে আৰু কোনো কোনো নামঘৰত দিয়াও হৈছে। তথাপি থাপনাৰ ওচৰত তেলৰ বন্তি এগছ দিয়া হয়। এই গছ বন্তিত বৰ্ত্তমান যুগৰ বিজুলি পোহৰ নাই যদিও তাত এটি সুকীয়া আধ্যাত্মিক পোহৰৰ নিদৰ্শন আছে। সেই বাবেই তাৰ ঠাই বৈজ্ঞানিক বিজুলি পোহৰেও ল'ব পৰা নাই। এটা জাতিৰ সাহিত্য-কলাৰ প্ৰভাৱো থাপনাৰ আগত থোৱা বন্তিগছৰ দৰে নিজৰ আধ্যাত্মিক

পোহৰ দিব পৰা বস্তু হ'ব লাগিব। বাহিৰৰ বিজুলি চাকিয়েও সেই কাম সাধিব নোৱাৰে। প্ৰত্যেক জাতিৰেই সুকীয়া জাতীয় আত্মা আছে। সেই আত্মাৰ পোহৰত লিখা সাহিত্যই সদায় উজ্জ্বল হৈ থাকে, তাৰ পোহৰত লোৱা চিত্ৰই নিজৰ প্ৰতিকৃতি স্পষ্ট ৰূপে দেখুৱায়।

সাহিত্যৰ এটা সুকীয়া ঠাচ আছে। সেই ঠাচত পেলাই তাক গঢ়াৰ প্ৰয়োজন। এই বিষয়ে ওপৰ চকুৱা হ'লে সাহিত্য-ক্ষেত্ৰত পদে পদে উজুটি খোৱাৰ ভয় থাকে দেশৰ সাধু-কথা, ফকৰা, বহুৱালি কথা, বন-গীত, গৰখীয়া লৰাৰ গীত, পুৰণি পুথি আদিত বহুত তথ্য সোমাই থাকে। সেইবিলাকৰ গবেষণামূলক আলোচনা হ'লে, তাৰ নতুন ধাৰাই সাহিত্য-ক্ষেত্ৰ উৰ্ব্বৰা কৰি তোলে। তাত ভালদৰে মাৰি ৰত্ন সানিব জানিলে আকৌ একেবাৰে নতুন হৈ জকমকাই উঠে। ভৌগলিক, প্ৰত্নতাত্ত্বিক, সামাজিক আদি বহুত বিষয়ত পুৰণি কথাবিলাক উদ্ঘাটন কৰি চালি-জাৰি চ'লে তাতো সাহিত্যৰ ভালেখিনি মলখু পোৱা যায়। এইদৰে সাহিত্য-কলাৰ উপাদানবিলাক গোটাই আলোচনা কৰিব পাৰিলে, প্ৰতিভাশালী লোকৰ হাতত পৰিলে, সেয়ে নিজে নৱ-ৰস দিব পৰা অমৰণ সাহিত্য, অভগন কলা সৃষ্টি কৰি জাতিৰ মুখ-ৰুচিকৰ অমৃত বস্তু হ'ব পাৰে। কিছুমান স্থানীয় ঘটনাৰ বিবৰণ, উপকথাৰ আলম লৈয়েই মহাকবি শেক্সপিয়েৰে জগতৰ সকলো জাতিৰ নাট-ঘৰত সুৱাকৈ নাটবিলাক লিখি

মানৱ-সাধাৰণৰ চৰিত্ৰ তাত প্ৰতিফলিত কৰি দেখুৱাব পাৰিছিল। সকলো জাতিৰ মাজতে তেনে ঘটনা, উপকথা, গল্প আদি আছে। প্ৰতিভাশালী লোক থাকিলে তাৰ আলম লৈ লিখা নাটকেৰে সেই সেই জাতিৰ সাহিত্য-ভৰালৰো একো একো খোঁটালী ঠাঁই ভৰাব পাৰিব। জাৰ্ম্মাণীৰ দৰে উন্নতিৰ পথত দহ খোজ পাছ নপৰি আগবঢ়া জাতি এটাই আজি কি কৰিছে? জাৰ্ম্মাণ সভ্যতাৰ পুৰণি শিপাডাল বিচাৰি উলিয়াই তাত চাৰিওফালৰপৰা সাৰ পানী দি গুৰি শকত কৰি ল'বৰ চেষ্টা কৰিছে। অথচ বৰ্ত্তমান যুগৰ সকলো সজুলি তাত ব্যৱহাৰ কৰিছে। আগৰ দিনৰ জাতীয় উৎসৱ, ফকৰা, সাধুকথা, আকৌ প্ৰচলিত কৰিছে।

ছয় ঋতুৰ পৰিৱৰ্ত্তন সদায় আছে। অথচ এই খিনিতেই পৰিৱৰ্ত্তন হ'ল বুলি গম ধৰা টান। প্ৰত্যেক ঋতুৱেই বছৰি ঘূৰি ঘূৰি আহে। কিন্তু প্ৰত্যক বছৰেই একোটা নতুনত্ব লৈ আহে যেন অনুভৱ হয়। মানৱ-সমাজৰ সকলো বিধ পৰিৱৰ্ত্তনতো এই কথা খাটে। কেৱল সাহিত্যৰ পুৰণি কথাবিলাক লাৰি-ছাৰি তোক আৰু পুৰণি কৰিবৰ উদ্দেশ্য হ'ব নালাগে। তাৰ পৰা নতুন ৰস উলিয়াই সাহিত্যক আৰু অমৃতময় কৰি তুলি মুখত যাচি জাতিটোক অমৰ কৰি তুলিব পাৰিব লাগে। কোনো দেশৰ শিক্ষিত সমাজে আধুনিক সাহিত্য সৃষ্টি কৰোতে যদি সেই সাহিত্যই নিজৰ গঢ়-গতি এৰি আহিবলৈ ধৰিছে যেন অনুমান হয়, তেন্তে

বুজিব লাগিব যে, সেই সমাজৰ সাহিত্যৰ ধাৰ ক'ৰবাত একেবাৰে ছিগিছে বা ঘাই শিপা কটা পৰিছে। তেতিয়া সাৱধান হোৱা উচিত। দেশৰ গাঁৱলীয়া সাহিত্যকো শিক্ষিতসকলে অৱহেলা কৰিলে নচলিব। সেই বিলাকেই সাহিত্যৰ গা-গছ ফলে ফুলে পল্লৱিত, সুশোভিত হৈ উঠাৰ জোখাৰে ৰস টানিব পৰা ঘাই শিপাৰ পালি-শিপা। সেই বিলাক শিপা কাটি পেলালে বা কোনো কাৰণত শুকাই গ'লে গা-গছডালো লেৰেলি বলী হৈ উঠা টান হৈ পৰে। গাঁৱলীয়া সাহিত্যত জাতীয় জীৱনৰ বহুতো গভীৰ তথ্য পোত খাই থাকে। ) তাক উলিয়াই ঘঁহি-পিহি চক্‌চকিয়া কৰি ললে, সিয়েই সাহিত্যৰ ভিত্তিত আকৌ গলপত্তা হৈ জিলিকি উঠে।

সাহিত্যত ঠাচ বোলা কথাটোৰো মূল্য বেছি। সেয়ে নোহোৱা হ'লে আজি সংস্কৃতমূলক ভাৰতীয় প্ৰাদেশিক সাহিত্য বিলাকৰ মাজত বিশেষ একো প্ৰভেদ নাথাকিলহেতেন। জাতীয় সাহিত্যৰ বিশেষত্ব ৰক্ষা কৰিবলৈ হ'লে এই ঠাচ এৰি লিখিলে নচলিব। শব্দৰ সমষ্টিয়েই যি দৰে একোটা বাক্য হ'ব নোৱাৰে, সেইদৰে কিছুমান বাক্যৰ ৰচনাই একোখন সাহিত্য হ'ব নোৱাৰে। সংস্কৃতমূলক হ'লেও, ভাৰতৰ প্ৰাদেশিক ভাষাৰ বিভিন্ন সাহিত্যত শব্দৰ যোজনা বিভিন্ন ৰকমৰ, ব্যাকৰণৰ সূত্ৰবিলাকৰ দীঘ-বাণি বেলেগ, শব্দৰ প্ৰয়োগো অনেক স্থলত নিমিলে। তাৰোপৰি বৰ্ণভেদ, অলঙ্কাৰ-পাতি পিন্ধা-উৰা আৰু ধৰণ-কৰণৰো প্ৰভেদ

আছে। ভিন ভিন প্ৰদেশৰ যি দৰে পিন্ধন-উৰণ, চলন-ফুৰণ খোৱা-লোৱা ৰুচি-ভেদ আছে, সেইদৰে সাহিত্যতো আছে। ভাল হ'লেও এই বিলাক বিষয়ত লোকৰ হুবহু অনুকৰণ যি দৰে স্বাভাবিক হ'ব নোৱাৰে আৰু সুস্থৰেও, সেই দৰে লোকৰ ভাষা আৰু সাহিত্যৰ হুবহু অনুকৰণ কৰিলেও তাত জাতীয় প্ৰাণৰ উৎস পোৱা টান। (লোকৰ হুবহু অনুকৰণ শাৰীৰিক, মানসিক, আধ্যাত্মিক দুৰ্ব্বলতাৰ চিন।) অনুকৰণ কোনো ক্ষেত্ৰতেই স্থায়ী হ'ব নোৱাৰে। অৱশ্যে সম্পূৰ্ণৰূপে গ্ৰহণ কৰি নিজস্ব কৰিব পৰা কথা সুকীয়া। তাত বল হোৱাৰেই কথা।

# কৱি

অন্তৰ্দৃষ্টি কৱিৰ চকুত চেতন অচেতন—এই দুই বস্তুৰ বেলেগ ৰূপ নাই। কৱিয়ে যেতিয়া নিজৰ অপৰূপ কল্প-লোক সৃষ্টি কৰিবলৈ ব্যাকুল হৈ উঠে, সেই সময়ত এই দুই বস্তুকে তেওঁ এনে দৰে খাঁজ খুৱাই নিয়ে যে, তাৰ জোৰা লৰোৱা বা বিভিন্ন উপাদানৰ সমষ্টি বুলি ভাব কৰা টান হৈ পৰে। এই খনিকৰে গঢ়ি যাওঁতেই প্ৰতিমাৰ প্ৰতি অঙ্গতে প্ৰাণ প্ৰতিষ্ঠা হৈ যায়। ইন্দ্ৰিয়-গ্ৰাহ্য বস্তুৰে অতীন্দ্ৰিয় লোকত প্ৰাণৱন্ত ভাবৰাশি মূৰ্ত্তিমান কৰি তোলাত তেওঁ সিদ্ধহস্ত। এই জন শিল্পীৰ তুলিকাই যিহতে ৰহণ দিয়ে, তাতেই সৌন্দৰ্য্য আহি নিজক বিলাই দিয়ে। তেওঁৰ শব্দ-যোজনাৰ লালিত্যই গছৰ শুকান নীৰস ডালতো তপ তপ কৰে ৰস বোৱাই দিয়ে। তেওঁৰ মাতত কুলি পৰাস্ত, কেতেকী নিমাত, মইনা মাতৰ লহৰো তল পৰে। কৱিৰ প্ৰাণতেই বিশ্ব-জগতৰ স্পন্দন হৈ আছে। এই কাৰণেই সৃষ্টিকৰ্ত্তা প্ৰণৱস্ৰষ্টা আদি কৱি।

কৱিৰ লগত প্ৰাকৃতিক জগতৰ ব্যৱধান নিচেই কম। সেই কাৰণেই কৱি প্ৰাকৃতিক জগতৰ অন্তৰঙ্গ বন্ধু। প্ৰকৃতিৰ ভিতৰুৱা কথা এজন কৱিয়ে যিমান খিনি জানে, আন কাৰো পক্ষে সিমান খিনি কথা জানিবৰ উপায় নাই। প্ৰকৃতিয়েও আন কাকো সেইদৰে বিশ্বাস কৰি হিয়া উবুৰিয়াই

কথা নকয়। তোমোৰাৰ ভৰ ফুলৰ পাপৰি কেইটিয়ে যে সহিবলৈ টান পায়, সেই কথা কবিৰ কোমল প্ৰাণত অনুভৱ কৰিবলৈ বেছি পৰ নালাগে। ভ্ৰমৰ-বিদ্ধ পদুম পাহিটিৰ বেদনাত কবি নিজে ম্ৰিয়মান হয়। মেঘত ডাৱৰ দেখি ডালত অকলশৰীয়া চাপি ধৰা ম'ৰাটিৰ নৃত্য-লীলা সাৰ্থক কৰিবলৈ কবিয়ে কেকাৰবৰ ধ্বনিত প্ৰতিধ্বনি তুলি ময়ূৰীক মাতি আনি কাষ চপাই দি প্ৰাণত বিমল আনন্দ উপভোগ কৰে। কবি ৱৰ্ডছৱৰ্থে বৈদিক যুগৰ ঋষি-সকলৰ লগতে ক'ব পাৰিছিল, গছৰ ঠাল-ঠেঙুলি কুঁহিপাত আলফুলকৈ চুবা, তাতো বনস্পতি দেৱতাই বাস কৰিছে। বন এড়ালিবো যে লাজ-কাজ আছে, চুলে লাজত হে জঁই পৰে, বনৰ লতা এডালিয়েও যে লজ্জাৱতী তিৰোতাৰ আচৰণ কৰিব পাৰে, সেই কথা বিশ্ব-প্ৰেমিক কবিয়েই প্ৰথমে অনুভৱ কৰে।

চাৰি মুঠি জীৱক যে একেটা সহানুভূতিয়েই লৈ ফুৰাইছে জগতৰ আদি কবি বাল্মিকীৰ প্ৰাণত এই সত্য আবিৰ্ভাৱ হয়। সীতাৰ হৰণ হ'ল, চতুৰ্দ্দিশে সন্ধানৰ নিমিত্তে প্ৰজাবৃন্দ দিহা দিহি ওলাল। বাল্মিকীয়ে মন কৰিলে যে, এই ঘটনাত বাটৰ তৰু-লতা-তৃণ জঁই পৰিছে। সীতা আইৰ বাতৰি সুধি এনে তৰু-লতা-তৃণকো তেওঁ চকু-লো টোকাইছিল। পাখি ভগা জটায়ুৰেও যে সীতা দেৱীৰ সন্ধ ন দিবলৈকে শেষ নিশ্বাস ত্যাগ কৰা নাছিল, সেই কথা বাল্মিকীৰ চকুত হে পৰিছিল। নল, নীল, সুগ্ৰীৱ হনুমান আদি বীৰসকলৰ ওপৰত বিশ্বাস

স্থাপন কৰি বনৰ বান্দৰ ভালুকক লৈয়ো বাল্মিকীয়ে লঙ্কা জয়ৰ আশা কৰিব পাৰিছিল। কৱিৰ প্ৰাণৰ এই মহান্ অনুভূতিৰ বাবেই লঙ্কা জয় কৰা হ'ল, ৰাৱণ সবংশে নিধন হ'ল, সীতা আইৰ উদ্ধাৰ সম্ভৱ হৈ উঠিল।

খলা-বমা সংসাৰত শান্তিৰ পথ বিচাৰি দিয়ে কৱিয়ে। এই কাৰণেই মহাভাৰতৰ যুদ্ধত ওঠৰ অক্ষৌহিনী ধ্বংস পোৱা তয়াময়া ৰণৰ মাজতো ব্যাসদেৱে শান্তি-পৰ্ব্ব অধ্যায় নিলিখি নোৱাৰিলে। জগতৰ দ্বন্দ-যুদ্ধ সদায় ভাঙি আহিছে কৱিয়েই। পাপ-পুণ্য বিচাৰত এওঁ দোষীক শাস্তি নিদিয়ে, উদ্ধাৰ পৰাচিত কৰি লয়।

কৱিৰ আধ্যাত্মিক অনুভূতিৰ দাগ জুইত পেলোৱা সোণৰ কমনীয়তাৰ দৰে, ছাইৰ মাজতো তাৰ উজ্জ্বলতা নকমে। কৱিৰ অন্তৰত বিশ্বব্ৰহ্মাণ্ড উদ্ভাসিত হৈ আছে। বিশ্বব্ৰহ্মাণ্ডৰ স্পন্দন কৱিৰ হৃদয়ৰ ৰক্ত-প্ৰৱাহ। কৱিৰ হৃদয়-তন্ত্ৰী বিশ্ব-বীণাৰ লগত একেটা সুৰত সদায় বন্ধা থাকে। বিশ্ব-বীণাৰ নিচেই সূক্ষ্মতম তাঁৰ এডালিও যদি ক'ৰবাত বাজী উঠে, তাৰ ধ্বনি কৱিৰ হৃদয়-তন্ত্ৰীতো নাবাজি নাথাকে।

অন্তদৃষ্টিৰে চালে কৱি জগতময়, জগত কৱিময়।

# নাটক আৰু উপন্যাস

নাটক ভাও দি দেখুৱা বস্তু। গতিকে এখন নাটকৰ গুণা-গুণ নিৰ্ভৰ কৰে লিখক, ভাৱৰীয়া, নাটকৰ অভিনয়, সঁজুলি, দৰ্শক আদি কেইবাটাও কথাৰ ওপৰত। এই সকলো খিনি কথালৈ মন কৰি লিখা নাটক এখনেই সাধাৰণতে দৰ্শকৰ মন আকৰ্ষণ কৰে। ইমানতো দৰ্শক-শ্ৰেণী যদি তন্ময় চিত্ত আৰু ৰসগ্ৰাহী নহয়, এখন অতি ওখ ধৰণৰ নাটকৰ অভিনয়ো হাট-বজাৰত কোৱা-মেলা কথাৰ দৰে হৈ পৰে। কিন্তু নাটকৰ মাই কাম চৰিত্ৰ অঙ্কন কৰি দেখুৱা আৰু সেই চৰিত্ৰৰ মাজেদি মনস্তত্ব ভাল দৰে প্ৰকাশ পোৱা। নাটকৰ মাজেদি নতুন আৰু পুৰণি ভাবে সদায় যুদ্ধ দি আছিছে। এই দুয়োটা ভাবকে দৰ্শকৰ মনঃপুত কৰি সামঞ্জস্য ৰক্ষা কৰি দেখুৱাব পৰাটোৱেই নাট লিখকৰ সাৰ্থকতা। নাটকৰ নায়ক-নায়িকাৰ ভাব-প্ৰৱণ মনত, ৰক্ত-মাংস শৰীৰৰ ভিতৰত যেতিয়াই এখন কুৰুক্ষেত্ৰৰ ৰণ আৰম্ভ হয়, তেতিয়াই নাটকৰ চৰিত্ৰ অঙ্কন হৈছে বুলি কব পাৰি। তেওঁলোকে পাৰিপাৰ্শ্বিক অৱস্থা, ভাগ্য, অন্য ৰকম প্ৰতিদ্বন্দিতাৰ সন্মুখীন হবলৈ যেতিয়াই সাহ কৰি আগ বাঢ়ে, তেতিয়াই নাটকত আদৰ্শ-চৰিত্ৰ ফুটি উঠে। নাট-লিখকে এনেবিলাক চৰিত্ৰ গঢ়ি তুলি থিয় কৰাবলৈ একোটা ভেটি বিচাৰে। বুৰঞ্জী,

পুৰাণ, কিংবদন্তি, ধৰ্ম্ম-গ্ৰন্থ আদি বস্তুবিলাকেই সেই ভেটি। প্ৰাচীন গ্ৰীছৰ দৰে আমাৰ দেশতো আদিতে নাটকবিলাক ধৰ্ম্ম-সংক্ৰান্ত আখ্যান আদিৰ ভেটিত থিয় কৰা হৈছিল। সেই ভাব আমাৰ সত্ৰাদি ঠাইবিলাকত এতিয়াও প্ৰবলভাৱে চলি আছে। কিন্তু বৰ্ত্তমান সময়ত সামাজিক আৰু বুৰঞ্জী মূলক নাটকৰ হে বেছি আদৰ চলিছে। সেয়ে হ'লেও, আমাৰ দেশত এতিয়াও নাট-অঙ্গনত স্বেচ্ছাচাৰিতাই ঠাই পাব নোৱাৰে আৰু ক'তো পোৱাও উচিত নহয়। পাছৰ বিধ নাটক লিখিবলৈ আমাৰ দেশত বুৰঞ্জীমূলক আৰু সামাজিক বস্তুত সজুলি বিচাৰিলে ওলায়।

উপন্যাসৰ ঠাই নাটকৰ সমান আহল-বহল আৰু ওখ নহ'লেও, নিচেই ঠেক বা চাপৰো নহয়। ঔপন্যাসিকসকলে সমাজ-গৃহৰ কোঁঠালীবিলাকত সোমাই আলেঙে-আলেঙে সকলো কথাৰ বেহ-ৰূপ চায়, চুকত গেৰাই থোৱা জাবৰ সোপাৰপৰা চোৰচাওৰ হাতনি পেৰাত থোৱা অলঙ্কাৰ-পাতিলৈকে সকলো কথাকে মন কৰে, বেৰত খোচ মাৰি থোৱা কাকৈখনত লাগি থকা ছিগা চুলি কেইডালো তেওঁলোকৰ চকুত নাসাৰে। কিন্তু নিজে হ'লে কোনো বস্তুতে হাত নিদিয়ে। ইফালে চোৰৰ সিন্ধিৰ মুখত নিজে থিয় হৈ পহৰা নিদিলেও, গিৰিহঁতক সদায় সাৰ পোৱাবৰ চেষ্টা কৰে। নাটকত ভাও দি মানৱ চৰিত্ৰ যি দৰে একৰকম প্ৰত্যক্ষভাৱে দেখুৱা হয়, সেইদৰে উপন্যাসত তাকে ইঙ্গিতেৰে কোৱা হয়,

কল্পনাৰ চকুৰে চাব লাগে। কল্পনাৰ ইন্দ্ৰজাল নহলেও, উপন্যাস প্ৰকৃততে সমাজৰ আঁৰ-কাপোৰ। তাক কি দৰে তৰিলে সমাজৰ আবুৰো বয়, অথচ গিলিপ মাৰিও নধৰে, বিশুদ্ধ সত্যহ নিয়মমতে চলাচল কৰি ভিতৰখন ফৰকাল কৰি থ'ব পাৰে, শিল্পী ঔপন্যাসিকৰ হাতত সেই কৌশল ওলাই পৰে। গতিকে, উপন্যাসৰ চৰিত্ৰবিলাক মাটিত ভৰি নোথোৱা জীৱ নহয়। চৰিত্ৰ-অঙ্কনত কল্পনাৰ ৰহন দিয়া হয় সঁচা, কিন্তু চিত্ৰ-পটখনিত সমাজেৰেই পোহৰ আৰু ছাঁয়া পেলোৱা হয়। শিল্পীয়ে এই ৰহন এনে কৌশলেৰে মাৰে আৰু সানে যে, চিত্ৰখনিত ফুলনি আৰু গেবেকনি সমানে চিকমিক্ হৈ উঠে। ইয়াৰ পৰা এনেটো বুজায় যে, গেবেকনিৰ সৌন্দৰ্য্য বঢ়োৱাটোও শিল্পীৰ পৰিকল্পনাৰ ভিতৰত। শিল্পীৰ উদ্দেশ্য হৈছে, ফুলনিৰ সৌন্দৰ্য্যখিনি পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত পৰিও যাতে নষ্ট নহয়। গেবেকনিৰ মুক্তিটো তুলসীৰ লগত কলপটুৱাৰ মুক্তিৰ দৰে।

নাটকৰ আৰু উপন্যাসৰ ঘটনাৰ সোঁত সময়ত কোবাল হৈ উঠি পাৰত খুন্দিয়া-খুন্দি কৰে। জাতীয় জীৱনৰ কাঠ-গড়া নাভাঙি নিৰ্ম্মল ধাৰে ধাৰত পেলাই বোৱাই দিব পৰাটোৱেইহে শিল্পীৰ যথাৰ্থ কৌশল আৰু সেয়ে বাঞ্ছনীয়।

# শিল্প-কলা

কলাবিদ পণ্ডিতসকলে কয় যে, কলা কি বস্তু, তাৰ সংজ্ঞা দিয়া টান। যথাৰ্থতে টান হোৱাৰ কথাও। ভাৱ-প্ৰৱণ মানুহৰ ভাবৰ বুৰবুৰণিত ইয়াৰ উৎপত্তি। গতিকে তাত এই মুহূৰ্ত্তত ৰামধনুৰ সাতো ৰঙৰ সমাৱেশ হ'ব পাৰে, আকৌ পিছ মুহূৰ্ত্তত তাৰ অস্তিত্বকো বিচাৰি পোৱা নাযাব পাৰে। মুঠতে ইমানকে ক'ব পাৰি যে, সুকুমাৰ কলা আৰু শিল্পৰ সহায়ত মানুহ বৰ্ব্বৰ অৱস্থাৰপৰা আৰম্ভ কৰি সভ্যতাৰ সোণৰ কলচী তুলিবলৈ সক্ষম হ'ল। মানুহৰ ভাব-প্ৰৱণতাৰ অনুৰূপ এই শিল্প আৰু সুকুমাৰ কলাই যুগে যুগে একোটা ৰূপ ধৰি আহিছে। মানুহৰ সৌন্দৰ্য্যবোধো ইয়াৰ মাজেদি প্ৰথমে দেখা দিয়ে। আকৌ এই সৌন্দৰ্য্যবোধতেই শিল্প আৰু সুকুমাৰ কলাৰ অভিব্যক্তি চেষ্টা সক্ৰিয় হৈ আছে।

জগতৰ সৌন্দৰ্য্যৰাশি সদায় আমাৰ চকুত পৰি আছে। তেনে স্থলত শিল্প আৰু সুকুমাৰ কলাৰ মাজেদি সৌন্দৰ্য্য সৃষ্টিৰ প্ৰয়োজনেই বা ক'ত? ইয়াৰ উত্তৰ এটা কথাই স্থিৰ কৰিব। বহিৰ্জ্জগতৰ যিটো সৌন্দৰ্য্য, তাকে হুবহু অনুকৰণ কৰি দেখুৱাটোৱেই শিল্প আৰু সুকুমাৰ কলাৰ কাম নে; নাই, তাৰ লগত অন্তৰ্জ্জগতৰ ভাবৰাশি সংমিশ্ৰন কৰি এক নতুন ৰহনেৰে তাক আৰু দীপ্তিমান কৰি সৌন্দৰ্য্যকো আৰু

সৌন্দৰ্য্যময় কৰি দেখুৱা ? পাছৰটোৱেই ইয়াৰ প্ৰকৃত কাম। অন্তৰত যিটো সৌন্দৰ্য্যবোধ, তাৰেই প্ৰকৃত সত্তা আছে। বহিৰ্জ্জগতৰ সৌন্দৰ্য্য তাকে প্ৰকাশ কৰিবৰ আলম মাথোন। এই চকুৰে চালে শিল্প বা সুকুমাৰকলাই বহিৰ্জ্জগতৰ সৌন্দৰ্য্যতকৈ অৰূপ ভাৱৰাশিক আকাৰে-ইঙ্গিতে ততোধিক ৰূপ দি প্ৰকাশ কৰে। গোটেই এচিয়া মহাদেশ জুৰি বুদ্ধদেৱৰ নানা প্ৰস্তৰ মূৰ্ত্তিয়ে বৌদ্ধ-বিহাৰবিলাক পৱিত্ৰ কৰি থৈছে। এই বজ্ৰ-কঠিন শিলৰ মূৰ্ত্তিবিলাকত বুদ্ধদেৱৰ অহিংসা প্ৰেম, জীৱ-দয়া আদি কলৰ থুৰিতকৈয়ো কোমল যি বিলাক ভাব প্ৰকাশ হৈছে, সেই কথাহে মন কৰিব লগীয়া। এই মূৰ্ত্তিবিলাকত আত্মাই যি বিলাক সুক্ষ্মভাবৰ প্ৰতিবিম্ব দেখিবলৈ পায়, সেয়ে প্ৰকৃত শিল্প আৰু সুকুমাৰকলাৰ সৃষ্টি। আত্মাই নিজৰ অন্তঃপুৰৰ শয়ণ-কক্ষত সুসুপ্ত অৱস্থাত যি বিলাক স্বপ্ন দেখে, সেয়ে ইয়াত দিঠক হৈ প্ৰকাশ পায়।

ভাষাৰ দৰে ভাবৰ অভিব্যক্তিৰ বাবে সুকুমাৰকলা আৰু শিল্পৰো প্ৰয়োজন আছে। বৰং ভাষা য'ত নিৰ্ব্বাক সুকুমাৰকলা বা শিল্পই নিজৰ সাঙ্কেতিক উপায়েৰে সেই কথা বুজাই দিয়ে। ভাষাৰ বাগ্মিতা সুকুমাৰকলা বা শিল্পৰ গাত নাই সচাঁ, কিন্তু সুকুমাৰকলা বা শিল্প ৱাক্য-সিদ্ধ পুৰুষৰ "তথাস্তু"ৰ দৰে শান্তিপ্ৰদ। মৌনীৰ মৌনব্ৰত যি দৰে ৰসনাৰ জড়তাৰ বাবে নহয়, সুকুমাৰকলা আৰু শিল্পৰ নিৰ্ব্বাক অৱস্থাও তদ্ৰুপ। এনে নিৰ্ব্বাক অৱস্থাত প্ৰাণত

যি সত্য প্ৰকাশ হয়, সি অনির্ব্বচনীয় হ'লেও অবোধগম্য নহয়। সুকুমাৰকলা আৰু শিল্পৰ একোটা ইঙ্গিতত যিমান খিনি ভাব প্ৰকাশ পায়, ভাষাই তাক প্ৰকাশ কৰিবলৈ হ'লে একোখন পুৰাণ লিখিব লাগিব। মানুহৰ আদি যুগত এই সুকুমাৰকলা আৰু শিল্পই হে প্ৰকৃততে ভাষাৰ কাম কৰিছিল।

সৃষ্টিত এনে কোনো ৰহস্য নাই, যাৰ বিষয়ে মানৱাত্মাই অলপ নহয় অলপ গম নাপাই থাকে। তাৰ শুংডালত ধৰি বগাই গৈ থকাই আত্মাৰ প্ৰসাৰণ কাৰ্য্য। সুকুমাৰকলা বা শিল্পই এই শুংডালিক বগাবলৈ একোখন হেদালি সাজি দিয়ে। এই হেদালিয়ে দি বগাই যাওঁতে শুংডালে দৃষ্টি শক্তি নাথাকিলেও, আত্মশক্তিৰ বলত য'ত যেনেকৈ ধৰি গ'লে বাঢ়িব পাৰে, স্বভাৱতে তাকেহে কৰে।

বৰ্ব্বৰ অৱস্থাত উলঙ্গ মানুহৰ সৌন্দৰ্য্যবোধ উলঙ্গ আছিল যদিও, তাৰ শুংডালি যেতিয়া মানুহৰ গাত বগাবলৈ ধৰিলে, তেতিয়া উলঙ্গ শৰীৰকো সেই সৌন্দৰ্য্যই ঢাকিবলৈ শিকিলে। সিমানতো সি ক্ষান্ত নাথাকি মনৰ সুকুমাইদি সোমাই বাহিৰ-ভিতৰ ছাটি পেলালে, আৰু ভিতৰ সোমাই আত্মাৰ নিভৃত কোঠালীত ফটিকৰ স্তম্ভত পাকে পাকে মেৰিয়াই ধৰি— তৰু-আশ্ৰিতা লতাৰ দৰে—শুৱাই পৰিল। তাৰ কলি কেইটি যেতিয়া ফুলি উঠিল, তেতিয়া স্তম্ভৰ মণি-মৰকতৰ আভা আৰু ফুল কেইটিৰ সৌৰভ মিহলি হৈ এনে

এখনি অপূর্ব্ব আমোদবন সৃষ্টি কৰিলে যে তাৰ শান্ত, স্নিগ্ধ সুশীতল বায়ু প্ৰাণৰ মলয়া হৈ জগতত আজিও বলি আছে।

সৃষ্টিৰ আদিভূত কাৰণ কি, এই সৃষ্টিৰ আদি ক'ত, অন্ত ক'ত,—এই চিৰন্তন মহান প্ৰশ্নৰ আলোড়ণত মানৱাত্মাত যি বিলাক চিন্তা-তৰঙ্গ উঠে, সুকুমাৰকলা আৰু শিল্পই তাৰো একো একোটি বুৰবুৰণি অংকিত কৰি তাৰ চুলি যেন ৰেখা একোটিকো আত্মাত প্ৰতিবিম্বিত কৰি তোলে। তেতিয়া সূৰ্য্যাস্তৰ সময়ত মানস সৰোবৰত সাত বিধ ৰঙেই যি দৰে সহস্ৰ ৰশ্মিৰ জাল এখন ছবি দেখুৱাই চকু জুৰ কৰে, সেই দৰে সুকুমাৰকলা বা শিল্পৰ একো একোটি অঙ্কনত মানৱাত্মাই একোটি গভীৰ সত্যৰ সহস্ৰ উন্মেষ দেখি আত্মহাৰা হয়; তাৰ শত ধাৰা, সহস্ৰ-ধাৰাৰে স্নান কৰি আত্মশুদ্ধি লাভ কৰে।

সুকুমাৰকলা বা শিল্পৰ নিৰ্ব্বাক নিষ্পন্দ অঙ্কনেই জড় আৰু চৈতন্যৰ মিলন-ভূমি। জড় পদাৰ্থতো চৈতন্যলোক সৃষ্টি কৰা কৌশল একোজন শিল্পীৰ হাততেই থাকে। তেঁৱেই লৰচৰ নোহোৱা শিল এডোখৰকো যোবাৰ চেকুৰ মেলাব পাৰে। তাৰ পাষাণ হৃদয়তো মাতৃ-মূৰ্ত্তি প্ৰতিফলিত কৰি শিশুৰ মুখত স্তন্যধাৰা বোৱাই দিয়ে। শিল্পীৰ হাতৰ বৈদ্যুতিক শক্তিৰ সঞ্চাৰে লক্ষ লক্ষ বছৰৰ স্তূপাকাৰে সঞ্চিত তাৰ জড়তা দূৰ কৰি অন্তৰ্নিহিত অফুৰন্ত ভাৱৰাশি মূৰ্ত্ত-লোকলৈ আনি মানৱাত্মাৰ দৃষ্টি গোচৰ কৰি তোলে। এয়ে আত্মাৰ দিব্য-দৃষ্টি।

প্ৰাকৃতিক ৰঙত মনকো যে ৰোলাব পাৰি, এই কথা শিল্পীয়ে প্ৰথমতে মন কৰে। সেই কাৰণে সিদ্ধহস্ত শিল্পীয়ে হাঁহি-কান্দোন, সুখ-দুখ, অনুৰাগ-বিৰাগ আদি ভাবব্যঞ্জক চিত্ৰ বা মূৰ্ত্তিত বেলেগ বেলেগ একোটা ৰঙৰ সহায়ত তাক প্ৰকাশ কৰে।

এটা অলৌকিক শক্তিয়ে সৃষ্টিৰ সকলো কাম চলাই আছে বুলি মানুহে সদায় বিশ্বাস কৰি আহিছে। এই বিশ্বাসক অৱিশ্বাস কৰি নিৰস্ত হ'বলৈ বৰ্ব্বৰ অৱস্থাৰ পৰা আজিলৈকে মানুহে কোনো প্ৰকাৰে মনক মান্তি কৰাব পৰা নাই। সেই শক্তিৰ সন্ধান কৰোতে কৰোতে মানুহে যি দৰে তাৰ কল্পনা কৰিব পাৰে, সেই দৰে সেই শক্তিক ৰূপ দিবলৈ যাইকৈ সুকুমাৰকলা আৰু শিল্পৰ সহায় লয়। তাৰ ফলত অলৌকিক শক্তিক প্ৰকাশ কৰি দেখুৱাবলৈ শিল্পীয়ে মানুহৰ দুখন হাতৰ ঠাইত মহাশক্তিক দশ-ভূজা কৰি গঢ়ি তুলিলে। মহাপৰাক্ৰম প্ৰকাশ কৰিবলৈ নৰ-সিংহ মূৰ্ত্তি দেখুৱা হ'ল। এই মহাশক্তিৰ বিভিন্ন বিকাশত, বিভিন্ন দেশত, বিভিন্ন দেৱ-দেৱীৰ সৃষ্টি হ'ল। তেওঁলোকৰ বাসোপযোগী নানা মঠ-মন্দিৰ, দেৱালয় গঢ়ি তোলা হ'ল মানুহৰ পুঞ্জীভূত কল্পনাৰাশিয়ে সুকুমাৰকলা আৰু শিল্পক শতদল পদ্মৰ দৰে প্ৰস্ফুটিত কৰি নিজক এই দৰে স্থূল শৰীৰী কৰি গঢ়ি তুলিলে। মানুহৰ মনত যি এটা মহতো মহীয়ান সৰ্ব্বশক্তিমান ভাব সদায় বিদ্যমান হৈ আছে, সুকুমাৰকলা আৰু শিল্পৰ এনেবিলাক সৃষ্টিত বিভিন্ন ভঙ্গীমাত

সেয়ে প্ৰকাশ পায়; আৰু চাক্ষুষ দেৱতা জ্ঞানে তাৰ পূজা আৰাধনা তেতিয়াৰপৰা সকলো দেশতে আৰম্ভ হয়। এই দেৱতাসকলেই আকৌ মানুহৰ চকুৰ ছানি কাটি দিব্য জ্যোতি লাভৰ প্ৰশস্ত মাৰ্গ দেখুৱাই দিয়ে। এই জ্যোতি প্ৰতিফলিত কৰিবলৈ যাওঁতে যিখন ৰামধনুৰ সৃষ্টি হয়, সেয়ে সুকুমাৰকলা আৰু শিল্পৰ অনিৰ্ব্বচনীয় সৌন্দৰ্য্য। অতীজত এনে অপূৰ্ব্ব-লোকৰ সৃষ্টিৰ মাজেদি সুকুমাৰকলা আৰু শিল্পই লোক-শিক্ষা ধৰ্ম্ম-শিক্ষা, নীতি-শিক্ষা আদি দি আহিছিল। ধৰ্ম্ম-যাজক, পুৰোহিত শ্ৰেণীৰো সৃষ্টি হৈছিল এই প্ৰয়োজনৰ বাবেই। ঘট, পট, মৃন্ময়ত, দেৱতা পূজাত সুকুমাৰকলা আৰু শিল্পৰ চৰম উৎকৰ্ষতা সোমাই আছিল। স্থাপত্য বিদ্যা, সুকুমাৰ কলা, খোদিত অঙ্কন—এই তিনি বিধ কলা তাৰেই পৰিণতি। দেশ, কাল, পাত্ৰ চাই তাৰ ৰূপ অলপ বেলেগ আছিল মাথোন।

বাস্তৱ আৰু কাল্পনিক বোলা দুয়োটা ভাব সুকুমাৰ কলা আৰু শিল্পত লয় হৈ থকাৰ বাবেই তাৰ অলৌকিক সৌন্দৰ্য্যই মানৱাত্মাক পৰিতৃপ্ত কৰিব পাৰে। মানৱাত্মাই সৃষ্টিৰ ৰহস্য আজিলৈকে ভেদ কৰিব পৰা নাই যদিও, সুকুমাৰ কলা আৰু শিল্পৰ অভ্ৰভেদী সৌধত উঠি সেই ৰহস্যৰ সিপাৰলৈকে উদগ্ৰীৱ হৈ চাব পাৰিছে। এই বিশাল দৃষ্টিত আত্মাৰ চকু জুৰ হয়, তলৰ ধূলি-মাকতিয়ে চকুৰ খচখচনি তুলিবলৈ ঢুকি নাপায় গৈ।

সৃষ্টিত প্ৰতি মুহূৰ্ত্তে যি খন কুৰুক্ষেত্ৰ মহাৰণ চলি আছে, তাৰ মাজত শান্তি স্থাপন কৰাই সুকুমাৰকলা আৰু শিল্পৰ প্ৰধান লক্ষ্য। যিটো অন্ধ-শক্তিয়ে সৃষ্টি বৈচিত্ৰতা মুহূৰ্ত্ততে চুৰমাৰ কৰিব খোজে, সুকুমাৰকলা আৰু শিল্পই তাৰ বৈশিষ্টতা চিৰকাল ৰক্ষা কৰি আহিছে। আত্মাৰ সূক্ষ্মতম অনুভূতি, প্ৰাকৃতিক জগতৰ বৈচিত্ৰময় সৌন্দৰ্য্য, প্ৰাণী-জগতৰ অবিচ্ছেদ্য সম্বন্ধৰ সোণালি সপোন দিঠক কৰি চোৱাই সুকুমাৰকলা আৰু শিল্পৰ অনিৰ্ব্বচনীয় আনন্দ।



# নৃত্য-গীত

বিজ্ঞানত সৰল ৰেখাৰ কল্পনা আছে যদিও, তাৰ প্ৰকৃত অস্তিত্ব নাই। প্ৰাকৃতিক জগতত কোনো পদাৰ্থৰেই ঋজু গতি হ'ব নোৱাৰে। শব্দতো এই কথা খাটে। আকাশত শব্দৰ তৰঙ্গ উঠিলেহে তাৰ ধ্বনি শুনা যায়। গতিশীল আৰু বাঙ্ময় জগত পৰস্পৰে পৰস্পৰত বিলীন হোৱা, এই ভঙ্গিমাত হে নৃত্য-গীতৰ উৎপত্তি। এই নৃত্য-গীতৰ পাৰস্পৰিক সম্বন্ধতেই সুৰ, তাল, মান আৰু লয়ৰ অপূৰ্ব্ব সমাবেশ। এই সমাবেশ ৰক্ষা কৰিবলৈকে বাদ্য-যন্ত্ৰৰ আবিষ্কাৰ হয়। সৃষ্টিৰ যাৱতীয় পদাৰ্থতে এই নৃত্য-গীতৰ সজুলি ভৰি আছে। সকলো বস্তুতেই নৃত্য-গীত ওতপ্ৰোতভাৱে ব্যাপ্ত হৈ আছে। এই কাৰণেই বোধকৰো কোনো কোনো প্ৰাচীন জাতিয়ে জগতৰ উৎপত্তি সঙ্গীতত, শব্দই ব্ৰহ্ম, এই তত্ত্বৰ পৰিচয় পাইছিল।

নৃত্য-গীত যে সকলো বস্তুতেই ওতপ্ৰোতভাৱে ব্যাপ্ত হৈ আছে, তাৰ প্ৰমাণ পোৱা যাব—বতাহত লৰা আগলি কলাপাতৰ থুৰিটিলৈ চাই পঠিয়ালেই, ইকৰা পাতটিত কঁপি উঠা সুৰটিলৈ কাণ পাতিলেই। কদমৰ গা শিয়ৰি উঠাকৈ বংশী-বদন শ্ৰীকৃষ্ণৰ বাঁহীটিত যিটো সুৰ বাজি উঠে, পথাৰত গৰখীয়া লৰাই বজোৱা নৰা ডালটো সেই সুৰৰ কলিটি

বিচাৰিলে পোৱা যাব। ঘোঁৰাই খোজত তাল দি দি যায় বাবেই সি তালী। সূত্ৰধাৰীৰ নৃত্য-ভঙ্গীমাত চালি ধৰা ম'ৰাটিকে দেখা যায়। গছৰ খোন্দত ঢোলৰ মাতটো সোমাই থকা কথা হাবিতলীয়া যুগত মানুহে খোন্দৰ মুখত প্ৰথমতে গম পায় বুলি কোৱা আছে। কাঠনিৰ হাবিৰ গুমগুমনিত ভোৰ তালৰ খমখমনি সদায় হ'ব লাগিছে। বাটলু গুটিটো মাৰোতে ধনুৰ গুণডাল কঁপি উঠোতেই হাতে টোকাৰীৰ সন্ধান পালে।

শব্দৰ একোটা ধ্বনি আছে। সেই ধ্বনিৰ প্ৰাণ হৈছে সঙ্গীত। সঙ্গীতেই শব্দৰ সেই ধ্বনিৰ মাত্ৰা পাৰ-নেজীয়াকৈ ইটিত সিটিক খাজখুৱাই নিমজ কৰি তুলিব পাৰে। এই কাৰণেই সঙ্গীতৰ দোলনত যিটি বাঁহীৰ সুৰ বাজি উঠে, সেই সুৰে হৃদি-বৃন্দাবন পুলকিত কৰি তোলে। শব্দৰ ঢৌ একোটাত ৰাগ-ৰাগিনীয়ে নানা ভঙ্গীমাত উটি যাওঁতে যিটি ৰসধাৰা বোৱাই যায়, তাত সিক্ত প্ৰাণ মধুময় হৈ উঠে। প্ৰাণী-জগতে প্ৰত্যুষৰ কীৰ্ত্তনত, সন্ধ্যাৰ আৰতিত, নিতে এই ৰসধাৰাৰ তৰ্পণ দি পৰমানন্দ-পদ লাভ কৰিব পাৰিছে। সৃষ্টিৰ ঐক্য ৰক্ষা কৰিছে এই সঙ্গীতেই। এই সঙ্গীতেই শিশুৰ কলকলনিত মইনা মাত ঢালি দি শিশুটিকো মইনা কৰি তুলিছে। ঢৌৱে ঢৌৱে সঙ্গীতৰ লগত তাল ৰাখি নৈ, জান, জুৰি ধৰিত্ৰীৰ বুকু জুৰ কৰি বৈ গৈছে। সৃষ্টিৰ সকলো কোলাহল মাৰ যায়, সঙ্গীতৰ বুকুত। বাস্তৱ জগতত যিটো ইন্দ্ৰিয় বিবোধ ঘটে, সঙ্গীতে

তাক ভাঙি দিয়ে। সঙ্গীতৰ মুখত কেৱল মিলনৰ কথাকেহে শুনিবলৈ পোৱা যায়। মানুহৰ গাৰ নোমেই শত্রু হ'লেও, আত্মাই যি দৰে শত্রুতা সদায় শাম কটাই আহিছে, সকলো বিধ ধ্বনিৰ নিৰন্তৰে ঘাত-প্রতিঘাত চলি আছে যদিও সঙ্গীতে তাক লয় নিয়াইছে। সঙ্গীত প্রাণৰ উচ্ছ্বাস। প্রাণে ধৰি ৰাখিব নোৱাৰা অপ্রকাশিত ভাবৰাশি সঙ্গীতত উপচি যায়। সঙ্গীত ভৰপূৰ প্রাণৰ ওপচনি। তাৰ তৰঙ্গত পৰিলে শুকান খেৰ্-কুটাডালো নাচিবলৈ ধৰে। নিদ্রিত অৱস্থাৰপৰা আত্মাক জগাই দিবলৈ সঙ্গীতৰ দৰে আন কোনো চাৰণ সক্ষম হ'ব নোৱাৰে। সঙ্গীত এই কাৰণেই অলৌকিক, সাপকো মন্ত্র-মুগ্ধ কৰিব পাৰে। শ্রীকৃষ্ণৰ বাঁহীৰ সুৰত যমুনাৰ সোঁতো উলটি বৈছিল। গোপীসকলে 'কাণু বিনে নাহি ৰহে প্রাণ' বোলাৰ কাৰণো সেই বাঁহীৰ সুৰ। সঙ্গীত কাণৰ বস্তু হ'লেও দৰাচলতে সি প্রাণৰহে। কাণখন সঙ্গীত অহা-যোৱা কৰা প্রাণৰ অন্তঃপুৰৰ দীঘলি বাট বুলিব পাৰি।

যিটো অলৌকিক অনুভূতিৰ ভেটিত মানুহে আর্ট বা কলা গঢ়ি তোলে, তাৰ সৌন্দর্য্য চাই আকৌ আত্মাহাৰা হয়, সেই অলৌকিক অনুভূতিৰ ভেটিতেই নৃত্য-গীতৰো সৌধ তোলে। মানুহে হাবিতলীয়া যুগত ইয়াৰ সাধনা কৰা নাছিল যদিও, উন্মাদনা অনুভৱ কৰিছিল। নাচৰ লাচতহে হাবিৰ পছুটোকো মাৰিছিল। যুঁজ-বাগৰতো নাচৰ ছেওতহে যাঠি-জোং চলাইছিল। শত্রুৰ লগত নাচি নাচিহে ৰণ

দিছিল। সময়ত ৰণ-বাদ্য অস্ত্ৰ-শস্ত্ৰ চলোৱা এটা উত্তেজক বস্তু হৈ পৰিল। কুৰুক্ষেত্ৰ মহাৰণতো ভগৱান শ্ৰীকৃষ্ণই পাঞ্চজন্য শঙ্খ বজাইহে অৰ্জ্জুনৰ মনৰ ক্লৈব ভাব দূৰ কৰিছিল। সূত্ৰধাৰীৰ নাচতহে ভাওনাটোৰ সূত্ৰাভাল ধৰি পাকবিলাক আউল নলগাকৈ মনত উঘাই যাব পাৰি। মানুহৰ মনত যি সময়ত যি ৰসৰ ভাব বৈ যায়, শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গই তাৰ ঢৌবিলাক মুদ্ৰা দি দেখুৱাব খোজে। কেৱল নৃত্য-ভঙ্গিমাৰ মাজেদিও একোখন নাটকৰ অভিনয় হ'ব পাৰে।.

নৃত্য-গীত ধৰ্ম্মৰো আনুষঙ্গিক বস্তু। দেৱালয় সংশ্লিষ্ট নট-নটীৰ অনুষ্ঠানটোৱেই এই কথা প্ৰমাণ কৰে। সত্ৰাদি ধৰ্ম্মস্থানবিলাকত যি বিলাক ভাওনা হয়, তাৰ সৰহ ভাগেই ধৰ্ম্মসংক্ৰান্ত বিষয় লৈ অভিনয় কৰা বস্তু। ভাওনাবিলাকত সৰহখিনি অভিনয়ে নৃত্য-ভঙ্গিমাৰে মুদ্ৰা দি আভ্যন্তৰিক ভাব প্ৰকাশ কৰা বিধৰ। বাউল হৈ নেনাচিলে গাত হৰি নামৰ মহিমাই নলম্ভে। দেওধনি নাচত কম্পন নুঠিলে কেৱল আকাশ-তৰঙ্গই আকাশীবাণী শুনাব নোৱাৰে। সামাজিক উৎসৱবিলাকতো নৃত্য-গীতৰ পৰিচয় পোৱা যায়। বিহু উৎসৱত হুচৰি, বিহু-নাচ নহলে অকল পিঠা-পনাৰ সোৱাদতে সেই উৎসৱৰ ৰস পোৱা নগলহেতেন। ৰাজ-কাৰেঙতো নট-নটীয়ে ৰজাৰ শুভাগমন নৃত্য-গীতেৰেহে সূচনা কৰি দিয়ে। দেৱতা-সমাজত উৰ্ব্বশী চিৰ-যৌৱনা নৰ্ত্তকী। নট-নটীৰ বাবেই এখন সুকীয়া গন্ধৰ্ব্বলোকৰ সৃষ্টি হয়। গীত, বাদ্য, নৃত্য,

এই তিনিওৰ সমাবেশক শৰীৰ, মন আৰু আত্মাৰ ত্ৰিবেণী-সঙ্গম বুলিব পাৰি। তিনিও তিনিওতে এনে ভাবে লীন হয় যে, সেই-সম্বন্ধ ছেদ কৰা অসাধ্য।

নৃত্য-গীত বেলেগ বেলেগ ভাবব্যঞ্জক। মহাদেৱৰ তাণ্ডৱ-নৃত্যৰ লগত 'নাচে বনমালী' বোলোতে যি ভাব প্ৰকাশ হয়, তাৰ কোনো সাদৃশ্য নাই। ইন্দ্ৰ-সভাত অপেশ্বৰাসকলৰ নৃত্য-গীতত মন যি ঢালে যায়, আশ্ৰমত মুনি বালকসকলৰ কৰতালিৰ সৈতে দিয়া নৃত্য-গীতত সেই ঢালে নাযায়। ভাষাই যি দৰে মনৰ ভাব বিলাক কথাৰে প্ৰকাশ কৰে, নৃত্য-কলাই সেইদৰে শৰীৰৰ প্ৰতি অঙ্গ-প্ৰত্যঙ্গৰ সহায়ত আৰু গূঢ় ভাৱে প্ৰকাশ কৰে। ভাবৰাশি চকুৰ আগত মূৰ্ত্তি ধৰি থিয় হয়, আত্মাই তাৰ স্পৰ্শ-সুখ অনুভৱ কৰে। নাচোতাই যি ৰসত বুৰ মাৰি নাচৰি দেখুৱাই, নাচোতে প্ৰতি অঙ্গতেই সেই ৰস তপ তপ কৰে বৈ যায়। দৰ্শকৰ চকুত সেয়ে অঞ্জনৰ কাম দিয়ে।

প্ৰাকৃতিক, ঐতিহাসিক, শৰীৰতাত্ত্বিক আদি কিছুমান কাৰণত বিভিন্ন দেশত বিভিন্ন বৈশিষ্টতাৰ সৃষ্টি হয়। সেয়ে সেই দেশৰ বিভিন্ন জাতীয়তাৰ ভেটি। সেই ভেটিৰ ওপৰত জাতীয় জীৱন গঢ়ি তুলিবলৈ যিবিলাক উপাদান লগোৱা হয়, নৃত্য-গীতো তাৰে ভিতৰত। এই বৈশিষ্টতাৰ লগত জাতীয় চৰিত্ৰৰ ঘনিষ্ঠ সম্বন্ধ থাকে। এই সম্বন্ধ নৃত্য-গীতৰ মাজেদি প্ৰকাশ পায়। একোটা জাতিৰ জাতীয় নাচ-গান দেখিলে

সেই জাতিৰ চৰিত্ৰৰ বৈশিষ্ট বিষয়েও অনেক কথা ক'ব পাৰি। চৰিত্ৰ আচৰণৰ বস্তু। যিটো ভাবে অন্তঃকৰণৰ বৃত্তিবিলাক যি দৰে উচটায়, আচৰণতো সেই দৰে প্ৰকাশ পায়। গতিকে নৃত্য-গীতক অন্তঃকৰণৰ দাপোণ বুলিব পাৰি। এই কাৰণেই জাতীয় জীৱনৰ পাহৰা সুৰ, খোজ-কাটল, এই নৃত্য-গীতে আকৌ সোঁৱৰাই দিয়ে, দেখুৱাই দিয়ে। যি জাতিৰ অন্তঃকৰণত যি ভাবৰ ৰস প্ৰবল, তাৰ বেগৰ লগত যাব পৰা গীতৰ সুৰ, বাদ্যৰ ধ্বনি, নৃত্যৰ ঢৌ স্বভাৱতে উঠে।

প্ৰাকৃতিক জগতত পশু-পক্ষী, কীট-পতঙ্গ, জান-জুৰি গছ-লতা সকলোটিয়ে সুৰ, তাল-মান, লয়ৰ একোখন চানেকি ৰাখি থৈছে। তাকে চাই বুদ্ধি-বৃত্তিৰ পৰিচালক মানৱে নৃত্য-গীতৰ দীঘ-বাণিৰে ছাঁতে শুকুৱা, মুঠিতে লুকুৱা এখন দিব্যাভৰণ তৈয়াৰ কৰি তাৰে নিজ অন্তঃকৰণৰ কোমল ভাববিলাক সজাই-পৰাই ৰূপ-কোঁৱৰ কৰি আগত দেখুৱাই দিয়ে। এই ৰূপ-কোঁৱৰক দেখি ৰাগ-ৰাগিনী মূৰ্চ্ছা যায়, হৃদয়তন্ত্ৰিত জীৱনৰ সপ্তসুৰ আপুনি বাজি উঠে।

# ভাষা-ৰহস্য

ভাষাৰ উৎপত্তি অতি ৰহস্যময়। সেই ৰহস্য উদ্ঘাটন কৰা সহজসাধ্য নহয়। এই কাম তত্ত্বদৰ্শীসকলৰহে। মুঠতে ইমানকে ক'ব পাৰি, আন আন প্ৰাকৃতিক ঘটনাৰ দৰে ভাষাৰ উৎপত্তিৰো স্বাভাৱিক কাৰণ পোৱা যায়। উৎপত্তি হোৱা বস্তু মাত্ৰেই যি দৰে ক্ষয়শীল, আকৌ সংস্কাৰৰ বলত এই ক্ষয় যি দৰে মুহূৰ্ত্তে গৰা-খহনীয়া নিদিয়ে, ভাষা সম্বন্ধেও এই প্ৰাকৃতিক নিয়ম খাটে। আন আন বস্তুৰ দৰে ভাষাও প্ৰাকৃত আৰু সংস্কৃত। ক্ৰমবিকাশৰ নিয়মত ইয়াৰো বিকাশ, পৰিণতি আৰু তাৰ পিছত আকৌ ক্ষয় আছে। কিন্তু নল ডাল মৰি গজালিত আকৌ যি দৰে দেখা দিয়ে, ভাষাৰো য'ত ক্ষয় হয়, তাত আন এটা গজালিয়ে দেখা দিয়ে। এই কাৰণেই ভাষা চলিত আৰু অপ্ৰচলিত বুলি কোৱা হয়। ভাষাৰ স্বাভাৱিক বিকাশ, পৰিণতি আৰু ক্ষয়ৰ ওপৰতে তাৰ পৰিৱৰ্ত্তনশীলতা নিৰ্ভৰ কৰে। যাগ দি পকোৱা কলৰ যিদৰে সোৱাদ নাই, বলেৰে অসময়ত পৰিৱৰ্ত্তন কৰা ভাষাতো সেই দৰে ৰস পোৱা নাযায়। ভাষা বাক-শক্তিৰ বলত আপুনি বিকাশ হোৱা বস্তু যেতিয়া, সি নিজে গঢ় লোৱা বস্তু; তাক লোকে গঢ় দিব নালাগে। এই কথা ক'ব পাৰি যে, পোনে পোনে ৰাঢ়ি অহা গছ পুলি এটা বলেৰে ধনুভিৰীয়াকৈ

বান্ধি থৈ আহিলে সিয়েই কিছু দিনৰ পিছত নাঙলৰ গঢ় লয়। এটা বিশেষ প্ৰয়োজনত বা নাঙল সাজিবৰ আন উদ্ভাৱিকা শক্তিৰ অভাৱত, গছ পুলি এটা এইদৰে বলেৰে বান্ধি নাঙলটো সঙ্গা কাম উজু কৰি ল'ব পাৰিলেও বাঢ়ি অহা গছ পুলিটোৰ গঢ় নাঙলৰ কুঁজটোত নাই। সি কেৱল গছ পুলিটোক বাঢ়িবলৈ নিদিয়া এটা বিকৃত অৱস্থা।

ভাবৰ অভিব্যক্তি প্ৰাণী-সাধাৰণৰ ক্ৰিয়া। ইতৰ জন্তুৱে স্বাভাৱিক ধ্বনিৰ সহায়ত এই ভাব প্ৰকাশ কৰে। গৰুৱে হেম্বেলিয়াই পোৱালীটো বিচাৰে, কাউৰীয়ে ৰমলিয়াই বাঁহত ফেঁটী সোমোৱা সম্বাদটো জাকটোক দিয়ে। প্ৰাণী-শ্ৰেষ্ঠ মানৱে কেৱল ভাব প্ৰকাশ কৰিয়েই ক্ষান্ত নাথাকে, এটা ৰূপ দি অনুভূতিৰ প্ৰত্যক্ষ নিদৰ্শন কৰি লয়। এই ৰূপ দিওঁতেই আখৰ বা বৰ্ণমালাৰ সৃষ্টি হৈছে। ভাবব্যঞ্জক ধ্বনি বিলাক কণ্ঠ, তালু, ওঁঠ আদি ঠাইত ঘঁহনি খাই আহোঁতে স্বভাৱতে এটা সাঁচ বহুৱায়। সেয়ে আখৰৰ গঢ় বুলিব পাৰি। এনে একোটা বা কিছুমান আখৰ জোটনিত শব্দ, শব্দৰ গাঁথনিত বাক্য ৰচনা কৰি মানুহে ভাষাৰ মাজেদি ভাবৰ স্বৰূপ সদায় ৰক্ষা কৰি আহিছে। মানুহৰ মনোবৃত্তি ভাৱ-ৰাশিৰ পৰিৱৰ্ত্তনৰ লগে লগে ভাষাৰো কিছুদূৰ পৰিৱৰ্ত্তন অনিবাৰ্য্য আৰু সেই পৰিৱৰ্ত্তন সংৰক্ষণৰ বাবেও বাঞ্ছনীয়। কিন্তু সেয়ে স্বাভাৱিক গতিত হ'ব লাগিব। স্বাভাৱিক বতাহে লৰাই পাহি মুকলি কৰি দিয়া ফুলপাহৰ বিকাশত যিটো

সৌন্দৰ্য্য আৰু সৌৰভ হ'ব, হাতেৰে পাহি মুকলি কৰি দি ফুলোৱা ফুলপাহৰ বিকাশত সেই সৌন্দৰ্য্য আৰু সৌৰভ নাথাকে। বৰং সি সোনকালে লেৰেলি যাব। ভাষাৰো স্বাভাৱিক বিকাশ আছে। তাতহে তাৰ ৰস সৃষ্টি হয়।

ভাষা কথিত আৰু লিখিত যদিও, দেখা স্বৰূপত কথিত ভাষাহে আগধৰি চলে। সেয়ে প্ৰাকৃত ভাষা বুলিব পাৰি। প্ৰাকৃতিক অনুভূতি আৰু তাৰ অভিব্যক্তিৰ নিদৰ্শনবিলাকে প্ৰথমতে কথিত ভাষাৰ ভেটি বান্ধে। গৰু পোৱালীটোৱে 'হেম্বে' 'হেম্বে' কৰি মাকৰ ওচৰ চপা দেখি দেখি এটা কেঁচুৱা লৰাই সেইটো 'হেম্বে' আহিছে বুলি ক'বলৈ শিকে। কুকুৰক 'ভৌ' 'ভৌ', মেকুৰীক 'মিউ' বুলি কয়। এই দৰেই লৰাই প্ৰথমতে বস্তুবোধক নাম দিবলৈ শিকে। বাঘে চিকাৰ বিচাৰোতে বা অন্য কাৰণতো হাবিত 'হোঁকো' 'হোঁকো' কৰি ফুৰে। সেই কাৰণে বাঘে হুকৰিছে বুলি কোৱা হয়। হোঁকোৰা ক্ৰিয়া-বাচক শব্দ সেই ধ্বনিৰপৰা উৎপন্ন হয়। এই ধ্বনি অনুসৰণ কৰিয়েই সখিয়তী, সহদেৱ, কৃষ্ণ, হেঁটুলুকা, চেক্‌চেকী, ইত্যাদি চৰাইৰ নাম দিয়া হ'ল। মানুহে বতাহত 'সোঁ 'সোঁ' কৰা শব্দটো পালে। পৰ্ব্বতীয়া নৈ ভেয়ামলৈ নামি আহোতে 'হুৰ্' 'হুৰ্' এটা শব্দ হোৱা শুনি মানুহে ওপৰৰপৰা তললৈ হুৰ্ হুৰ্ কৰে আহিবলৈ শিকিলে। চকু-লো বৈ যোৱা দেখি পানী বৈ যোৱা লোৱ কাটিবলৈ ধৰিলে। নাচনীৰ ছেওৰ লগত সাদৃশ্য বিচাৰি চৰাইৰ মাজতো নাচনী

পালে। মুদ্রা-দোষ বুলি এটা শব্দ ব্যৱহাৰ কৰা হয়। কথা কওঁতে গাটো নচুৱা হাত-ভৰি জোকৰা সাধু-সমাজত দোষৰ ভিতৰত পৰে। কিন্তু ইয়াৰ সহায়তেই মানুহে হাবিতলীয়া যুগত প্ৰথমতে মনৰ ভাববিলাক ভাল দৰে প্ৰকাশ কৰিবৰ চেষ্টা কৰিছিল। এতিয়াও এটা পৰ্ব্বতীয়া নগাই কোনো এটা বেজাৰৰ কথা ক'বলৈ ধৰিলে, মন কৰিলে দেখা যাব, সি মুখেৰে চিঞৰ-বাখৰ লগাই কোৱাৰ লগে লগে বুকুত হাতো দিব, গাটোও ভাঙি-ছিঙি দেখুৱাব। মানুহৰ আদিম অৱস্থাত ভাষা আৰু ভঙ্গী দুয়োটাৰ সহায়তহে ভাব প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছিল বাবে ভঙ্গিমাৰ জোকাৰণিত ভাষাও লেছেৰি কোবাই যোৱা বিধৰ আছিল।

✓ সোণো কমালেহে উজ্জ্বল হয়। ভাষাতো সেই কথা খাটে। ভাষা সংস্কৃত বা বিশুদ্ধ কৰি তোলাৰ উদ্দেশ্যও তাত ভাবৰাশি উজ্জ্বল কৰি প্ৰতিফলিত কৰা। ভাষাৰ এই সংস্কৃতি ৰক্ষা কৰিবলৈকে লিখিত ভাষাৰ সৃষ্টি। লিপিবদ্ধ ভাষাই তেতিয়াৰপৰা এক ৰকম স্থায়ী গঢ় ল'বলৈ ধৰে। ভাষা তেতিয়াৰপৰা অকল কাণৰ বস্তু নহৈ চকুৰ বস্তুও হ'বলৈ ধৰিলে। কাণেৰে শুনি, চকুৰে দেখি, হাতৰ সহায়ত মানুহৰ বুদ্ধি-বৃত্তিয়ে ভাষা লিপিবদ্ধ কৰিবৰ উপায়বিলাক উদ্ভাৱন কৰি ভাবৰাশি সাঁচত মাৰি থ'বলৈ শিকিলে। ইয়াৰ কাৰণেই আখৰৰ সৃষ্টি। এই বৰ্ণ-মালাক শাস্ত্ৰই প্ৰকৃতি ৰূপিনী, প্ৰকৃতি সুন্দৰী বুলি যে কৈছে, ই যথাৰ্থতে সঁচা

আখৰবিলাক কোনো খনিকৰে নিজৰ মনেৰে আঁকি বা সাঁচত কাটি দিয়া নাছিল। তাকো প্ৰাকৃতিক দান বুলিব পাৰি। এই বৰ্ণকো প্ৰাকৃতিক জগতৰ বিভিন্ন নিদৰ্শনৰপৰা উদ্ধাৰ কৰি লোৱা হৈছিল। আখৰবিলাকক ভাষাৰ শিপা বুলিব পাৰি। ঘাই গছডালে গা কৰিবলৈ সময়ত তাৰ গুৰি খুচৰি দিওঁতে ফুডাল এডাল শিপা কটা যাব পাৰে বা কেৰোণে ধৰা একোডাল কাটি দিয়া উচিত হ'ব পাৰে, কিন্তু সেই শিপা ইচ্ছামতে কোনো এটা লেখৰ বা জোখৰ হ'ব নোৱাৰে। গছ চাই শিপা হ'বই আৰু শিপাৰ বলতহে গছ বাঢ়িব। আচল বস্তু গছ বা শিপাও নহয়। সেই গছত কিমান সুৱদি ফল পোৱা যায়, সিহে ঘাই কথা। কোনো এটা ভাষাত কিমান খিনি কাব্যামৃতৰস আস্বাদন কৰিবলৈ পোৱা যায়, সেই জোখা-ৰেহে সেই ভাষা সেৰেকা বা মুখ-ৰুচিকৰ বুলি ক'ব পাৰি।

ভাষাত এই ৰস পাবলৈ হ'লে সাহিত্যৰ মাজত তাক বিচাৰিব লাগিব। সকলো গছতে যি দৰে সুৱাদ ফল পোৱা নাযায়, সেইদৰে সকলো ভাষাতে সাহিত্যৰ সোৱাদ পোৱা নাযাব পাৰে। সাহিত্যৰ সৃষ্টি সুকীয়া বস্তু। পকা আমটো ওলমি থকা ঠাৰিডালৰ জগত উপাদান হিচাপে তাৰ কোনো পাৰ্থক্য নাথাকিলেও আমৰ সোৱাদ ঠাৰিডালত যি দৰে পাব নোৱাৰি, ভাষাৰপৰাই সাহিত্যৰ সৃষ্টি যদিও সাহিত্যৰ ৰস ভাষা মাত্ৰেই দিব নোৱাৰে।

# সৌন্দৰ্য্যবোধ

মানুহ চিৰকাল সৌন্দৰ্য্যৰ উপাসক। দেৱতাৰ উপাসনাত যি আয়োজন, প্ৰয়োজন আছে, সৌন্দৰ্য্য উপাসনা তেনে আয়োজন প্ৰয়োজন সাপেক্ষ নহয়। দেৱতাৰ চৰণত সাষ্টাঙ্গে প্ৰণাম কৰিলেহে উপাসনা হয়। সুদূৰ আকাশত বিচৰণ কৰা সেন্দুৰী সন্ধিয়াৰ ৰাঙলী আঁচলখনি আপুনি উটি আহি হৃদয় চুই দিয়ে, প্ৰাণত পৰশ বৈ যায়। হিমালয়ৰ গুহাত সোমাই কত যুগ তপস্যা কৰিহে তাপসসকলে সিদ্ধ স্থান লাভ কৰে। উষাৰ পৰশত ৰক্তিম হৈ উঠা কাঞ্চন জঙ্ঘাত চকু পৰিলে প্ৰাণ দূৰতেই পুলকিত হয়। বিমান বিহাৰি হংস-পংক্তিয়ে নীলাভ আকাশৰ চৰণত শুভ্ৰ মালাধাৰী অৰ্পণ কৰি দেৱতাৰ সন্ধানত ভোকা কোবাই উৰি যাওঁতে ছিগি-ভাগি তললৈ ওলমি পৰা সূৰ্য্যৰ ৰশ্মিজাল আহি যেতিয়া চকুৰ আগত পৰেহি, তেতিয়া প্ৰাণে তাৰেই গুণডালি বাটি সাতোটা ৰঙত বোলাই ৰামধনুত সংযোজন কৰি দিয়ে। ৰিণি ৰিণি দেখা দূৰ দূৰণিৰ বিমোহিনী ৰূপ-কুঁৱৰী প্ৰাণৰ নিজান ঠাইত যেতিয়া সঙ্গোপনে আহি দেখা দিয়েহি, প্ৰাণ তেতিয়া সঙ্গ-সুখত আত্মহাৰা হয়।

প্ৰকৃতি বিশ্বচৰাচৰৰ চিৰ যৌৱনা উৰ্ব্বশী। প্ৰতি ঋতুতেই প্ৰকৃতিৰ উন্মাদনা, নতুন লয়লাস, নতুন সাজ-পাৰ।

প্ৰকৃতিৰ এই মোহিনী ৰূপত জগত মুগ্ধ হৈ মুখলৈ চাই আছে, চকু আঁতৰাব পৰা নাই। প্ৰকৃতিৰ এই ৰূপৰাশিৰ আলম লৈ মানুহে প্ৰথমতে সৌন্দৰ্য্যজ্ঞান লাভ কৰে। দৰাচলতে মানুহৰ প্ৰাণত যিটো সৌন্দৰ্য্যবোধ, সেইটো অন্তৰ্জ্জগতৰ বস্তু। বাহিৰৰ বস্তুত তাৰ সত্তা নাই। এই সৌন্দৰ্য্যবোধে বিশ্বব্যাপকভাবে প্ৰাণত ক্ৰিয়া কৰি আছে। সীমাৰ ভিতৰত খণ্ডভাবে চালে তাক দেখা নাযায়। এপাহ ফুলত যিটো সৌন্দৰ্য্য বিকাশ হয়, সেই সৌন্দৰ্য্য তাৰ কোমলতাত আছেনে, চকু জুৰ হোৱা ৰিয়্পি যোৱা ৰঙত আছে, নাইবা বতাহে উৰাই অনা গোন্ধকণত আছে, এই কথা বিশ্লেষণ কৰি চাবলৈ গ'লে তৰপে তৰপে পাত গুচাই পনকটো চাবলৈ যোৱাৰ দৰে সেই সৌন্দৰ্য্য উৰি যাব। মেঘে য'ত মাটি চুইছে, সেই মিলন-ভূমি দেখি চকু নিতে জুৰ হৈ আছে। কিন্তু তাক বিচাৰি উলিয়াবলৈ অনন্তকাল গৈ থাকিলেও পোৱা নাযাব। সেইদৰে সৌন্দৰ্য্য জগতৰ সকলো বস্তুতে বিকাশ হৈছে যদিও, এই খিনিতে বুলি আঙুলিয়াই দেখুৱা টান। কিয়নো সৌন্দৰ্য্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।

কোনো এটা বস্তু ভালদৰে দৃষ্টি-গোচৰ কৰিবলৈ হ'লে মণি চাবলৈ কোৱা হয়; অৰ্থাৎ চকুৰ মণিত তাৰ গোটেই প্ৰতিবিম্বটো আহি কেন্দ্ৰীভূত হ'ব লাগিব। কেন্দ্ৰ বুলিলেই বৃত্তৰ সম্বন্ধ আহি পৰে। সৌন্দৰ্য্যবোধো প্ৰাণত কেন্দ্ৰীভূত হোৱা বস্তু। গতিকে সৌন্দৰ্য্য-বিকাশো এটি বৃত্তৰ ভিতৰতহে

হয়। বিশ্বব্ৰহ্মাণ্ডৰ অখণ্ড মণ্ডলাকাৰ ৰূপৰ বেখাই সৌন্দৰ্য্যৰ এই বৃত্ত। ইয়াৰ ভিতৰত থকা সৌন্দৰ্য্যৰ যি বস্তুৱে যিমান খিনি গ্ৰহণ কৰিব পাৰে, সেই বস্তু সেই পৰিমাণে সুন্দৰ যেন দেখি। বিজুলী পোহৰৰ ৰশ্মি যি দৰে বেলেগ বেলেগ ৰঙৰ কাচত প্ৰতিফলিত হৈ চাৰিওফালৰ বস্তুবিলাক বেলেগ বেলেগ ৰঙত বোলায়, সৌন্দৰ্য্যৰ আভাও বস্তুৰ বেলেগ বেলেগ উপাদানবিলাকত পৰি বেলেগ বেলেগ ৰূপ দেখুৱায়। সেয়ে হ'লেও বিজুলী-পোহৰ নিজে যি দৰে এটা অখণ্ডনীয় ব্যাপক বস্তু, সৌন্দৰ্য্যও তদ্ৰূপ।

খণ্ডভাবে চালে কোনো বস্তুতেই সৌন্দৰ্য্যবোধ নজন্মে। সকলো বিধ সুন্দৰ বস্তুৰ তিল তিল পৰিমাণ তিলোত্তমাত আছিল যদিও, অনিন্দ্য-সুন্দৰী তিলোত্তমা সৌন্দৰ্য্যৰ এটি স্বকীয়া বিকাশ। গোটেই সৌন্দৰ্য্যই তিলোত্তমাত ব্যাপক-ভাৱে দেখা দিছিল। এই কাৰণেই অনন্ত আকাশ অপাৰ সাগৰৰ সৌন্দৰ্য্যই মানুহৰ চকু কেতিয়াও টহ নটহায়। এই অনন্ত অপাৰ সৌন্দৰ্য্যৰ নিভৃত ঠাইত আকাশ-সাগৰৰ মিলন-দৃশ্য এই বাবেই ইমান মধুৰ, স্নিগ্ধ। লুইতৰ পাৰত পৰি থকা পকা বালিটোত সময়ত চৰাই-চিৰিকতি এটিও দেখিবলৈ নাই। শুকান বালিখিনি স্তূপাকাৰ হৈ মেঘত লাগিছে যেন দেখি। কিন্তু এই দৃশ্য যে অনন্ত চতুৰ্দ্দিশৰ শোভাত ৰিয়পি পৰে, মহা মিলনত সংকোচ বোধ নকৰে, ইয়াৰ সৌন্দৰ্য্য দেখি প্ৰাণ লুইতৰ ধাৰত পমি যায়, মন প্ৰতি বালুকণাৰ লগত

উৰি আকাশ ছোৱেগৈ। সীমাহীন আকাশৰ এক প্ৰান্তত উদয় হৈ আন প্ৰান্তত অস্ত যোৱা বাবে বেলি উঠোতে আৰু পৰোতে ইমান সুন্দৰ দেখি, গোটেই আকাশ ৰঙচুৱা কৰি পেলায়, হৃদয়ত তাৰ ৰং বৈ যায়। ওচৰৰপৰা পৰ্ব্বত খলা-বমা ডুবাকুহ দেখি। কিন্তু দূৰৰপৰা তেনে পৰ্ব্বতো অতি ৰম্য, আকাশতে ওলমি থকা নীলোৎপলৰ মালাধাৰি যেন দেখি কিয়? ইও সৌন্দৰ্য্যৰ ইন্দ্ৰজাল বিস্তাৰ। কোনো কালে যেদি ধৰিব নোৱাৰা সৌন্দৰ্য্যই অলক্ষিতে পেলাই দিয়া নীলাচলখনি বুকুত লৈ শৈল্য-সুন্দৰীয়ে সুদূৰ নিৰ্জ্জনত মেঘৰ আঁৰত ৰহি শুকুলা ডাৱৰৰ কপাহ কাটি স্তৰে স্তৰে থৈ যোৱা দৃশ্যই চকু এই দৰে জুৰ কৰে। পৰ্ব্বতৰ টিঙৰ মূৰত বজ্ৰ-কঠিন মেঘৰ বিজুলী অভিসম্পাতে দূৰৰপৰা মিচিকিয়া-হাঁহি হৈ মন-প্ৰাণ হৰি নিয়ে। পৰ্ব্বতৰ খহটা গাটোত লাৱণ্য বাগৰি যায়। বস্তুবোধত সৌন্দৰ্য্য নাই। সৌন্দৰ্য্যবোধত বস্তু জিলিকি উঠি চকুৰ তৃপ্তি দিয়ে, প্ৰাণৰ আৰাম আনে, মন স্থিৰ কৰে।

<u>সৌন্দৰ্য্যবোধ সদায় সম্বন্ধবাচক</u>। একেপাহি গোলাপ গমলা এটাত ফুলিলে যি দৰে সুন্দৰ দেখি, চপৰাণি এখনৰ মাজত সেই শোভা নিদিয়ে। ডুবৰি বনৰ দলিচাখনি পাৰি থোৱা, দাঁতিবোৰত নানা ৰঙৰ ফুলবছা ফুলনি এখনৰ মাজত সেই একেপাহ গোলাপৰ সৌন্দৰ্য্য অবৰ্ণনীয়। কিয়নো, ফুলনিখনৰ শোভা দিগন্তত বিয়পি থকা সৌন্দৰ্য্যৰ লগত লীন

হৈ আছে। অসীম সৌন্দর্য্যৰ মাজত পৰি হাঁহৰ তলুৱাতে লৈ ফুৰিব পৰা ফুলপাহৰ সৌন্দৰ্য্যও অপাৰ যেন দেখি। গড়ালত থকা ৰাজহাঁহ এটাৰ সৌন্দৰ্য্য চকুত নপৰে। কিন্তু সেই ৰাজহংসটিয়েই পুখুৰিত ফুলি থকা পদুমনিৰ মাজত পানীত ছাঁটো পেলাই মৃণাল সদৃশ ঠোঁটটিৰে পদুমৰ পাহি লৰাই পদুমৰ পাত যেন তলুৱা চলাই, চাৰি ফুৰোতে এপাহি শ্বেতপদ্ম যেন শোভা পায়. পদুমনিডৰাৰ কমনীয়তা, পানীত ৰাজহংসটিৰ ছায়াৰ হিল্লোল, পদুমৰ নিমজ পাহিৰ তুল্য পাখি —এই সকলোটিৰ কেন্দ্ৰীভূত সৌন্দৰ্য্যৰ আভাই ইয়াৰ কাৰণ। নিজে পৰিপূৰ্ণ সৌন্দৰ্য্যই অৱস্থা ভেদে বেলেগ সৌন্দৰ্য্যবোধ সৃষ্টি কৰে।

প্ৰাকৃতিক জগত প্ৰথমতে মানুহৰ চকুত পৰে। চকুৱে প্ৰকৃতিক যেতিয়া ভালুৰপৰা তলুৱাৰৈকে নানা ভাবে চাবলৈ শিকিলে, তেতিয়া প্ৰকৃতিৰ প্ৰতি অঙ্গ-প্ৰত্যঙ্গত, প্ৰতি ঋতুত সৌন্দৰ্য্যৰ নতুন নতুন আভাৰ লাৱণ্য বৈ যোৱা দেখিবলৈ পায়। বিমোহিত মনে তেতিয়াৰপৰা প্ৰকৃতিৰ অন্তঃপুৰত সোমাবলৈ হাবিয়াস কৰে। এই সৌন্দৰ্য্যবোধ নথকা হ'লে প্ৰাকৃতিক জগতৰ লগত মানুহৰ কোনো ৰকম সম্বন্ধ স্থাপন নহ'লহেঁতেন। পৰ্ব্বতৰপৰা বাগৰি অহা জুৰিটিৰ লগত মানুহৰ কোনো ৰকম ৰক্ত-মাংসৰ সম্বন্ধ নাই। অথচ এই সৌন্দৰ্য্যবোধ থকা বাবেই শিলৰ থেকেচা খাই একা-বেকাকৈ অহা জুৰিটিৰ নৃত্য-ভঙ্গিমা চকুত পৰে, খৰতৰ বেগত চঞ্চলা

ৰমণীৰ আঁচল উৰে সাগৰৰ বুকুত লীন হওঁতে, প্ৰেমৰ লহৰ উঠা দেখি। প্ৰাকৃতিক জগতৰ সকলো ৰকম বৈষম্যতা দূৰ কৰি সন্ধি স্থাপন কৰিব পৰা ক্ষমতা সৌন্দৰ্য্যৰ হাততহে আছে। লুইতৰ গৰা-খহনীয়াই এফালে যি দৰে মানুহৰ বুকু কঁপাই, আন ফালে চাপৰি পেলাই সেউজীয়া বণত বোলাই চকু জুৰ কৰে। জহ-কালি ছাটি-ফুটি কৰি থকা ধৰিত্ৰীয়ে আহাৰ মহীয়া ধাৰাসাৰে বোৱা পানী পাই আঁহ-পাঁহ মুকলি কৰি, শৰতৰ বিতোপন ৰাতিত স্নিগ্ধ মধুৰ বেশেৰে জগত মোহিত কৰি, পথাৰৰ লখিমী চপায়; ঠেটুৰাই ধৰা জাৰত উদং পিঠিত ৰ'দ-কাচলি লৈ যেতিয়া বসন্তৰ আগমন বাট চাই থাকে তেতিয়া মধু-ঋতুৰ মধুৰ মিলনত প্ৰাণত যি আনন্দ ওপজে তাৰ ওচৰত বাস্তৱ জগতৰ সকলো প্ৰকাৰ বিপৰ্য্যয় দূৰ হয়, সমস্ত বিশ্বব্ৰহ্মাণ্ড ৰসৰ নিজৰা হৈ প্ৰাণত বৈ যায়।

সৌন্দৰ্য্যবোধৰ প্ৰাচুৰ্য্যতাই ভাবৰাশিক ৰূপ দিয়ে। এই ৰূপ দিয়াত সন্ধহস্ত হলেই মানুহ শিল্পী হয়। এনে শিল্পীৰ হাততেই সুকুমাৰকলাৰ সৃষ্টি। এওঁলোকে প্ৰাকৃতিক জগতৰ উপাদানেৰে জুমুধিটো বান্ধি তাত সৌন্দৰ্য্যবোধৰ ৰহন দি যেতিয়া জীৱন্ত ৰূপ দিয়ে, তেতিয়া সেই ৰূপ দেখি চকু ৰ-লাগে তাৰ প্ৰতি অঙ্গ-ভঙ্গিমাত তাল-মান-লয়ৰ সমাৱেশত মন-প্ৰাণ বিমোহিত হয়। মন-প্ৰাণ প্ৰাকৃতিক জগত-আত্মাত ত্ৰি-ধাৰা গঙ্গা হৈ বৈ যায়। মানুহৰ মনত সৌন্দৰ্য্যবোধ আছে বাবেই সৃষ্টিৰ যাৱতীয় পদাৰ্থ তাত প্ৰতিফলিত হৈ

সুন্দৰ দেখুৱাইছে। প্ৰাণৰ সুন্দৰ দেৱতা বাহিৰৰ আৰাধনাত আবিৰ্ভাব হৈ দেখা দিছে। বনস্পতিয়ে গন্ধ-পুষ্প পাহি যাচিছে, গ্ৰহ-নক্ষত্ৰই প্ৰদীপ জ্বলাই আৰতি কৰিছে। চৰাই-চিৰিকতিয়ে গীত জুৰি বন্দনা কৰিছে, জান-জুৰিয়ে উৎসৱ আনন্দত নাচিছে। সাগৰে ঢৌ তুলি মৃদঙ্গ বজাইছে, আকাশত মেঘৰ ভোৰ-তাল বাজিছে। তপোমগ্ন, উচ্চশিৰ হিমালয়ে ধ্যানত সুন্দৰৰ বিৰাট মূৰ্ত্তি দেখি নিৰ্ব্বাক নিশ্চল হৈ চাই আছে। এয়ে সুন্দৰৰ উপাসনা। এই উপাসনা নহলেও পেটলৈ ভাত নগৈ নাথাকে, কিন্তু আত্মাই স্বস্তিবোধ নকৰে। সৌন্দৰ্য্যবোধতেই আত্মাৰ সদগতি হয়।

প্ৰাকৃতিক জগতৰ সৌন্দৰ্য্যই একমাত্ৰ সৌন্দৰ্য্য নহয়। সৌন্দৰ্য্যবোধৰ লগত মানুহৰ শৌৰ্য্য, বীৰ্য্য, চৰিত্ৰ আদি সদগুণবিলাকৰো সম্বন্ধ আছে। ৰাণা প্ৰতাপে দেশৰ স্বাধীনতা ৰক্ষা কৰাৰ বাবে আৰাৱলী পৰ্ব্বতত বুটমাহ চোবাই যেতিয়া মোগলৰ ওচৰত আঠু নলওঁ বুলি সাধাৰণ সৈনিক এজনৰ বেশে ফুৰিছিল, তেতিয়াও তেওঁৰ অখণ্ড প্ৰতাপৰ এটা সৌন্দৰ্য্য বিৰিঙি উঠিছিল। লৰা-ৰজাৰ হাতৰপৰা ৰাজদণ্ড আকৌ কাঢ়ি ল'বলৈ দৃঢ-প্ৰতিজ্ঞ লাছি গদাপাণি দিহিঙে-দিপাঙে নগা চাঙে চাঙে ফুৰোতে নগাৰ ছদ্মবেশতো ৰাজ-শ্ৰী প্ৰকাশ হৈছিল। গড়ালত পৰি গুজৰি থকা বাঘটোৰ সৌন্দৰ্য্য, ইন্দ্ৰৰ নন্দন কাননত অবাধে বিচৰণ কৰা শিয়ালটোৰ গাত নাই। যমলৈ চোৱা সাৱিত্ৰীৰ চকুত দহি

নিৰ পৰা একুৰা জুইৰ আওনি ওলাইছিল যদিও, তাতো পতিপ্ৰেমৰ স্নিগ্ধ মধুৰ দৃষ্টিৰ উদ্দীপনা আছিল। একালে সত্যৱানৰ মৰা শৰটো, আগত দণ্ডধাৰী যমৰ বিকট মূৰ্ত্তি তল পেলাই, মাজত সাৱিত্ৰীৰ পতি-প্ৰেমত উদ্ভাসিত সৌন্দৰ্য্যই জগত মোহিত কৰি থৈছে। বন্দীশালত কোঁট-কৰা কাঁইটৰ কোবত পিঠি ছিৰাছিৰ হোৱা সতী জয়মতীৰ তেজে তুলিকা দিয়া দৃশ্য সতী-তেজৰ সৌন্দৰ্য্য হৈ জয়সাগৰৰ পাৰত জিলিকি আছে।

আধ্যাত্মিক জগতৰ সৌন্দৰ্য্য আৰু অতুলনীয়। ৰাজপুত্ৰই শিৰৰ মুকুট থহাই সন্ন্যাসীৰ বেশ লৈ যি মুহূৰ্ত্তত ৰাজধানীৰ বাহিৰ হ'ল, সেই সৌন্দৰ্য্যৰ ঢলে হিমালয়কো বুৰাই জগত প্লাৱিত কৰিলে। পৰ্ব্বতৰ গুহাত তপস্যাত মগ্ন ঋষিসকলে ধ্যানত পাই একমেবাদ্বিতীয়ম্ মন্ত্ৰ ধ্বনিৰে আকাশ কম্পিত কৰি তোলাৰ দৰে, আৰবৰ শুকান বালিৰ আসনত বহি "হীৰাৰ" মাজত পোৱা দুনিয়াৰ খোদা এক বুলি মৰুৰ হাওৱাত দেশ-দেশান্তৰে সেই অপূৰ্ব্ব বাণী পঠিয়াই দিয়া বছুল নবীৰ নিজে টাপলি মৰা পোচাকৰ ওপৰে জিলিকি থকা আধ্যাত্মিক সৌন্দৰ্য্যত জগত আজি মুগ্ধ। পিতত হাত-ভৰি শালি তলত ধানখেৰৰ জুই জ্বলাই দিয়া অমানুষিক দৃশ্যৰ ওপৰেদি বৈ যোৱা যীশুৰ প্ৰেম-মন্দাকিনীৰ প্ৰাণ শীতল কৰি দিয়া সৌন্দৰ্য্যটি আজিও অৱৰ্ণনীয়। এই আধ্যাত্মিক সৌন্দৰ্য্যৰ গুণত মহাপুৰুষ শঙ্কৰ গুৰু আজিও শ্ৰীমন্ত।

উপনিষদৰ ঋষিসকলে এদিন কৈছিল, ততঃপৰং কিম্? উত্তৰ পালে—আনন্দম্। আত্মাৰ এটি অনিৰ্ব্বচনীয় সৌন্দৰ্য্য-বোধ আছে বাবেই এই আনন্দ-বিহাৰৰ সৃষ্টি। মানৱাত্মাত সৌন্দৰ্য্যবোধ আছে বাবেই জগতখন ইমান সুন্দৰ, প্ৰতি ঋতুৱে সৌন্দৰ্য্যৰ একোখন বিচনী কৰি মৌ সঞ্চৰায়। মনো-ৰাজ্যত সাহিত্য-কলাই ইমান সুন্দৰ সুন্দৰ সৌধ তোলে। আধ্যাত্মিক জগতত পৰমানন্দপদ স্পৰ্শ কৰিবলৈ পাই আত্মাই তৃপ্তি লাভ কৰে।

—শেষ—

COTTON HALL LIBRARY
GAUHATI—ASSAM.